সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH-098/ 2015 -17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪১ সংখ্যা, ২৬ আহিন , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.41 Date Of Publication - 13 October 2024 Rs.10.00/-

## হাৰিয়ানাত বিজেপিৰ হেটট্ৰিকত উৎফুল্লিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- হাৰিয়ানাত বিজেপিয়ে হেটট্ৰিক কৰাৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ অন্যতম ষ্টাৰ কেম্পেইনাৰ তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলৰ প্ৰতিজন কাৰ্যকৰ্তালৈ অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে হাৰিয়ানা বিধানসভা নিৰ্বাচনতো অসমৰ



মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

৫টা বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাইছিল আৰু সেই নিৰ্বাচনী সমাৰেশত ৰাজ্যখনত পুনৰ বিজেপিৰ চৰকাৰ হ'ব বুলি মন্তব্য কৰিছিল। উক্ত নিৰ্বাচনী ফলাফলত মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ সেই পূৰ্বানুমান যে এশ শতাংশই শুদ্ধ সেয়া

( দুই পৃষ্ঠাত চাওক)




## ৭০সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা গ্ৰহণ কৰিলে আইমী বৰুৱা আৰু পাৰ্থসাৰথি মহন্তই





ৰঙিলী বাৰ্ত্তাসেৱা- ৭০সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত উজ্বলিত অসমৰ কেইবাগৰাকীও সন্তান। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকে কেইবাখনো অসমীয়া চলচ্চিত্ৰ । আইমী বৰুৱা প্ৰডাকচন ছ'চাইটীৰ প্ৰযোজনাত আৰু আইমী বৰুৱাৰ পৰিচালনাত নিৰ্মিত বিচাৰকৰ বিশেষ বঁটা লাভ কৰা "বিৰুবালা- 'উইটচ' টু পদ্মশ্ৰী"-ৰ বাবে তথ্যচিত্ৰ নিৰ্মাতা অভিনেত্ৰী আইমী বৰুৱাই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মৰ হাতৰ পৰা বঁটা গ্ৰহণ কৰে। সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰাৰ বাবে বিৰুবালা ৰাভাই কিদৰে চেষ্টা চলাইছিল, বঁটা প্ৰদান অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে সেই বিষয়ে উল্লেখ কৰে। অন্ধবিশ্বাসৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰা, কঠিন পৰিস্থিতিতো পীড়িতসকলক সহায় কৰা বিৰুবালা ৰাভাই ২০২১ চনত পদ্মশ্ৰী সন্মান লাভ কৰাৰ বিষয়েও ৰাষ্ট্ৰপতিগৰাকীয়ে ভাষণত উল্লেখ কৰে। আনহাতে এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰ লাভ কৰা আনখন ছবি হ'ল Hargila The Greater Adjutant Stork । পৰিচালক পাৰ্থসাৰথি মহন্ত নিজে উপস্থিত

( দুই পৃষ্ঠাত চাওক)

## ট্ৰেৰ্ডিং কেলেংকাৰিৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে চিবিআইক অৰ্পণ কৰিলে ৰাজ্য কঁপাই যোৱা ট্ৰেডিং কেলেংকাৰিৰ তদন্তৰ দায়িত্ব। মুঠ ৪১টা ট্ৰেডিঙৰ গোচৰৰ তদন্তৰ দায়িত্ব চিবিআইক হস্তান্তৰ কৰা হৈছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যোৱা ১৩ ছেপ্টেম্বৰত অসম চৰকাৰৰ কেবিনেটৰ অনুমোদন অনুসৰি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ লিখি বিভিন্ন থানাত পঞ্জীয়নভুক্ত অনলাইন ব্যৱসায়ৰ সৈতে জড়িত ৪১টা গোচৰ চিবিআইলৈ হস্তান্তৰ কৰাৰ বাবে আবেদন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে এই অনুৰোধ গ্ৰহণ কৰি দিল্লী স্পেচিয়েল পুলিচ এষ্টাব্লিছমেন্ট এক্ট ১৯৪৬ৰ তৎ ধাৰাৰ অধীনত তদন্ত গ্ৰহণৰ বাবে চিবিআইক নিৰ্দেশনা জাৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে তদন্ত ক্ষিপ্ৰ কৰাৰ বাবে সকলো সহায় আগবঢ়াব। অপৰাধৰ সৈতে জড়িত দোষীক কঠোৰ শাস্তি নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

( দুই পৃষ্ঠাত চাওক)

সম্পাদকীয়...

## শাৰদীয় পূজা

স্বাগতা বৰুৱা গোস্বামী



যা দেবী সৰ্বভূতেষু
ক্ষান্তিৰূপেণ সংস্থিতা।
নমস্তসৈ নমস্তসৈ নমস্তসৈ
নমো নমঃ।।

দুৰ্গোৎসৱ, অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তি ৰ জয়। মহালয়া দিনাৰ পৰাই ধৰালৈ আগমন ঘটে মহিষমৰ্দিনী দশভুজধাৰী দেৱী দুৰ্গাৰ। তাৰপিছতেই আৰম্ভ হয় নৱৰাত্ৰিৰ। নৱৰাত্ৰিত দেৱীৰ নটা অৱতাৰ ন দিন পূজা কৰা হয়। দশম দিনা দেৱীক বিৰ্সজন দিয়া হয়। কিছু কিছু ঠাইত ৰাৱণৰ পুত্তলিকা দাহ কৰা হয়। ইয়াৰ অৰ্থ হ'ল অশুভ শক্তি বিনাশ কৰি শান্তি স্থাপন কৰা। এইবাৰ দেৱীৰ দোলাৰে আহি ঘোঁৰাত উভতিব। বিল্ব বোধনেৰে ষষ্ঠীৰ বেদীত স্থাপন কৰা হ'ব দেৱী দুৰ্গা। দেৱীৰ আগমনৰ লগে লগে শৰতে আনে স্নিগ্ধ শীতল উৎসৱমুখৰ বতৰা। দশোদিশে শেৱালীজোপাৰ আমোল-মোলোৱা গোন্ধ। নৈৰ পাৰত কহুৱাৰ শুভ্ৰ দেউকা। নীলা আকাশৰ তলত মেঘৰ খেল ধেমালী। ইতিমধ্যে পূজা মণ্ডপসমূহও সাজু হৈ উঠিছে। এনে সুন্দৰ সন্ধিক্ষণত মায়ে সকলোৰে জীৱনলৈ কঢ়িয়াই আনক সুখ আৰু সমৃদ্ধি।

**সমূহ ৰাইজলৈ শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জনালোঁ।**

# দৰঙত সম্পূৰ্ণতা অভিযানৰ সামৰণি অনুষ্ঠান

ৰঙিলী বাৰ্তাসেৱা- দৰং জিলা প্ৰশাসনে মঙলদৈৰ জিলা পুথিভঁৰালত 'সম্পূৰ্ণতা অভিযান'ৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰে। দেশৰ ১১২ খন আকাংক্ষিত জিলাৰ ৫০০ টা উন্নয়ন খণ্ডই সকলো উন্নয়নৰ সূচকত পৰিপূৰ্ণতা লাভ কৰাৰ উদ্দেশ্যে দেশজুৰি সম্পূৰ্ণতা অভিযান আৰম্ভ কৰা হৈছিল।এই উন্নয়ন খণ্ড সমূহৰ ভিতৰত দৰং জিলাৰ পুব মঙলদৈ উন্নয়ন খণ্ডও আছে। নীতি আয়োগৰ নিৰ্দেশ মৰ্মে জিলা প্ৰশাসনে জিলা পুথিভঁৰালত সম্পূৰ্ণতা অভিযানৰ 'সমাপন সমাৰোহ' নামেৰে সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰে। যোৱা জুলাই মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ চলি থকা এই সম্পূৰ্ণতা অভিযানৰ মূল উদ্দেশ্য হৈছে উন্নয়নৰ সূচকসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণ সফলতা লাভ কৰা। সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে কয় যে দৰং জিলা এখন আকাংক্ষিত জিলা আৰু সেয়ে আমি সকলোৱে আন্তৰিকতাৰে কাম কৰি জিলাখনক আগুৱাই লৈ যাব লাগিব। জিলাখন কৃষিৰ ক্ষেত্ৰত আগবঢ়া যদিও স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰখন পিছপৰি আছে। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণৰে জিলাখন সমৃদ্ধিশালী কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। অনুষ্ঠানত জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে কয় যে আকাংক্ষিত উন্নয়ন খণ্ডক প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ পৰিবৰ্তিত কৰাৰ বাবে শিশু আৰু মহিলাৰ স্বাস্থ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ এই ক্ষেত্ৰত আন্তৰিকতাৰে কাম কৰিবলৈ আশাকৰ্মী, অংগনাবাড়ী কৰ্মীসকললৈ আহ্বান জনায়।



নিটি আয়োগে নিৰ্ধাৰণ কৰি দিয়া সূচাংক লাভ কৰাৰ বাবে সংশ্লিষ্ট সকলোকে ধন্যবাদ জনায়। সকলোৱে ঐক্যভাৱে কাম কৰি জিলাখনক প্ৰগতিৰ পথত আগুৱাই নিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। নিটি আয়োগে নিৰ্দ্ধাৰণ কৰা উন্নয়নৰ সকলো সূচকত পৰিপূৰ্ণতা লাভ কৰিবৰ বাবে দায়বদ্ধতাৰে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অনুষ্ঠানত সমজিলা আয়ুক্ত গোপাল শৰ্মায়ো ভাষণ দিয়ে। অনুষ্ঠানত নিটি আয়োগৰ তৰফৰ পৰা ৬ টা বিভাগ, কেইবাগৰাকীও এ এন এম, আশাকৰ্মী, অংগনাবাড়ী কৰ্মীক তেওঁলোকৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ তৰফৰ পৰা ষ্টল, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ ব্যৱস্থা কৰা হয়। সম্পূৰ্ণতা অভিযানৰ সামৰণি অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱা, ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ প্ৰীতিৰেখা শইকীয়া, সমাজ কল্যাণ বিষয়া কোযেশ্বৰ বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক চেমিনা ইয়াছমিন আৰা, নিটি আয়োগৰ ফেল' জুলিনা কাশ্যপ প্ৰমুখ্যে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, আশা-অংগনাৱাড়ী কৰ্মী আদিৰ লগতে ৰাইজ উপস্থিত থাকে।

# ভূমি স্বাস্থ্য পত্ৰ বিতৰণ



ৰঙিলী বাৰ্তাসেৱা- ভূমিৰ উৰ্বৰতা গুণ নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ কেইবালাখো কৃষকলৈ ভূমি স্বাস্থ্য আৰু উৰ্বৰতা আঁচনিৰ অধীনত গুৱাহাটীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ অনুষ্ঠানত উপস্থিত থাকে। বৰ্তমান সময়ত কৃষিকৰ্ম অধিক ফলদায়ক হৈ উঠিবলৈ আধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰাটো সময়ৰ আহ্বান বুলি ব্যক্ত কৰি তেওঁ ইয়াৰ পৰিপ্ৰেক্ষিতত কৃষি বিভাগে কৃষি যান্ত্ৰিকীকৰণৰ উপ-অভিযানৰ অধীনত কৃষকসকলৈ কৃষি যন্ত্ৰপাতি বিতৰণৰো উদ্যোগ লোৱাৰ কথা ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয়- আজি অসমৰ ১৬খন জিলাত নিৰ্মাণ কৰা ২১টা কৃষিজ্ঞান কেন্দ্ৰ মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। এই কেন্দ্ৰসমূহে উন্নত কৃষি পদ্ধতি, চৰকাৰী আঁচনি, নতুন প্ৰযুক্তি আদিৰ তথ্য কৃষকসকলক প্ৰশিক্ষণ আৰু ব্যৱহাৰিক প্ৰদৰ্শনৰ জৰিয়তে প্ৰদান কৰিব। লগতে কৃষকসকলে এই কেন্দ্ৰসমূহত বিভাগীয় বিষয়া তথা কাৰিকৰী বিশেষজ্ঞৰ পৰা সময়ে সময়ে পৰামৰ্শ গ্ৰহণৰো সুবিধা প্ৰদান কৰিব। উল্লেখ্য, কৃষকে গাঁৱৰ পৰা ধান ক্ৰয় কেন্দ্ৰলৈ ধান বিক্ৰী কৰাৰ বাবে অনাৰ সময়ত হোৱা পৰিবহণ ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এইবাৰ প্ৰতি কুইণ্টল ধান পৰিবহণৰ বাবদ ৰাজসাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ।

# মেধাভিত্তিক ৩৮৫ জনক নিযুক্তি

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যত পুনৰ অনুষ্ঠিত হৈছে নিযুক্তি সমাৰোহ। স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ নিৰন্তৰ যাত্ৰা অব্যাহত ৰাখি পুনৰ ৩৮৫ গৰাকী প্ৰাৰ্থীলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই নিযুক্তি সমাৰোহৰ অনুষ্ঠান। গুৱাহাটীত প্ৰদান কৰা নিযুক্তি পত্ৰৰ ফলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ কাৰ্যকালত বৰ্তমানলৈকে প্ৰদান কৰা নিযুক্তিৰ সংখ্যা ১,২৫০৩০ লৈ বৃদ্ধি পালে। এইখিনিতে




উল্লেখ কৰিব লাগিব যে এই নিযুক্তি সমাৰোহত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু শিক্ষা বিভাগৰ বিভিন্ন পদত এই নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য বিভাগৰ ১০১গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি সমাৰোহ অনুষ্ঠানত মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি শিক্ষা মন্ত্ৰী ৰণোজ পেগু আৰু আন আন বিষয়ববীয়াসকল উপস্থিত থাকে।

# হাৰিয়ানাত বিজেপিৰ

প্ৰমাণিত হয়। মন কৰিবলগীয়া এয়ে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলোৱা পুটা সমষ্টিৰ ভিতৰত তিনিটাতে বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। ইপিনে, হাৰিয়ানাৰ নিৰ্বাচনী ফলাফল সন্দৰ্ভত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুদক্ষ নেতৃত্বত হাৰিয়ানা বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীয়ে তৃতীয়বাৰৰ বাবে জনসাধাৰণৰ আশীৰ্বাদ লাভ কৰিবলৈ সক্ষম হৈছে। এই ফলাফলৰ পৰা এটা কথা স্পষ্ট যে ভাৰতবৰ্ষত মোদী গেৰাণ্টীৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে।

# ট্ৰেডিং কেলেংকাৰিৰ

উল্লেখ্য যে যোৱা কেইটামান বছৰৰ ভিতৰত ৰাজ্যখনত প্ৰৰোচনামূলক ট্ৰেডিং আৰম্ভ হয়। এই অনলাইন ট্ৰেডিং কেলেংকাৰিত ৰাইজে প্ৰায় ১৪ হাজাৰ কোটি টকা হেৰুৱাবলগীয়া হয়। চৰকাৰী নিয়ম অনুসৰি অনলাইন ট্ৰেডিং বেআইনী নহয় যদিও নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে আৰবিআই তথা ছেবিৰ অনুমতি লৈ ধন বিনিয়োগ কৰিব পাৰে। কিন্তু অসমত একাংশ প্ৰৱঞ্চকে ৰাইজৰ অজ্ঞতাৰ সুযোগ লৈ তথা একাংশ লোকে সহজে অধিক লাভৰ মুখ দেখাৰ দুৰ্বলতাৰ সুযোগ লৈ সেই প্ৰৱঞ্চনাৰ জালখন পেলায়। বছৰ বছৰ ধৰি প্ৰৱঞ্চনাৰ এই নেটৱৰ্ক চলি আহিছিল। নিশাটোৰ ভিতৰতে এটকাক দুগুণ কৰি দিয়াৰ প্ৰলোভনেৰে চলাই অহা কেইবাটাও অনলাইন ট্ৰেডিং প্ৰৱঞ্চকক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে।

# ৭০সংখ্যক ৰাষ্ট্ৰীয়

থাকি গ্ৰহণ কৰে প্ৰমাণপত্ৰ। পূৰ্ণিমা দেৱী বৰ্মনৰ নেতৃত্বত দদৰা আৰু পছৰীয়াৰ মহিলাসকলে 'হাড়গিলা' সংৰক্ষণৰ বাবে নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিলুপ্তিৰ পথত থকা 'হাড়গিলা' বিশ্বৰ চঙ্গুটা প্ৰজাতিৰ মাজৰ এটা। বিশ্বৰ ভিতৰতে দদৰা, পছৰীয়াৰ 'হাড়গিলা' সংৰক্ষণৰ প্ৰচেষ্টা সফল বুলি বিবেচিত হৈছে। পাৰ্থসাৰথি মহন্ত পৰিচালিত এই ছবিখনত 'হাড়গিলা' সংৰক্ষণৰ এই মহান প্ৰচেষ্টাক সামৰি লোৱা হৈছে। পূৰ্ণিমা দেৱী বৰ্মনে দদৰা- পছৰীয়াৰ মহিলাসকলক একত্ৰিত কৰি এই পক্ষীৰ সংৰক্ষণৰ বাবে লোৱা এনে প্ৰচেষ্টাক উৎসাহ যোগোৱাৰ লগতে বিশ্ববাসীক এই কাহিনী দেখুৱাবলৈ নিৰ্মাণ কৰা হৈছে 'Hargila-The Greater Adjutat Stork'। ইয়াৰ পূৰ্বেও এই ছবিখন বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ সমাদৃত হৈছে। 'পাই এণ্টাৰটেইনমেণ্ট'ৰ বেনাৰত তথ্যচিত্ৰখনৰ প্ৰযোজনা কৰিছে মীনা মহন্ত আৰু ইন্দ্ৰাণী বৰুৱাই। ইন্দ্ৰাণী বৰুৱাৰ চিত্ৰনাট্যৰে নিৰ্মিত তথ্যচিত্ৰখনৰ সম্পাদনা সমুজ্জল কাশ্যপ আৰু গৌতম মজুমদাৰৰ। চিত্ৰগ্ৰহণ কৰিছে অমিয়া ৰঞ্জন দাস, জয়প্ৰকাশ চক্ৰৱৰ্তী আৰু মানস চাপ্ৰাই। ইয়াৰ লগতে অসমৰ কুলনন্দিনী মহন্তৰ 'এমুঠি পুঠি' লৈ আগবঢ়োৱা হৈছে শ্ৰেষ্ঠ অসমীয়া চিনেমাৰ ৰজত কমল বঁটা, ড° ববী শৰ্মা বৰুৱাৰ 'ছিকাইছাল'লৈ আগবঢ়োৱা হৈছে শ্ৰেষ্ঠ তিৰা ছবিৰ ৰজত কমল বঁটা। আনহাতে চুটিছবিৰ শিতানত নৰপম ডেকাৰ 'শূন্যতা' লৈ আগবঢ়োৱা হৈছে শ্ৰেষ্ঠ চুটি ছবিৰ বঁটা।

# শাৰদীয় দূৰ্গোৎসৱ..সফল আৰু সুশৃঙ্খলিতভাৱে পালনত সকলোৰে দায়বদ্ধতা আছে

মানসী মিশ্ৰ



সময়ত আহ্বানক নেওচি প্ৰতিটো বৰ্ষতে আহিন আহে। সময় কাৰোবাবেই ৰৈ নাথাকে, খৰ আৰু নিজস্ব গতিৰে পাৰ হৈ যায়। তাৰ ভিতৰতে বহু পৰিবৰ্তন হয়। বতৰৰ পৰিৱৰ্তন, সামাজিক পৰিস্থিতিৰ পৰিবৰ্তন, অৰ্থনৈতিক পৰিস্থিতিৰ পৰিবৰ্তন ইত্যাদি ইত্যাদি। এই সকলো পৰিৱেশ, পৰিস্থিতিৰ মাজতে সময়ে বাগৰ সলায়। ঋতু আহে, ঋতু যায়। সময়ৰ লগত সংগতি ৰাখি এইবাৰো শৰৎ আহিছে প্ৰকৃতিৰ কোলালৈ। আহিন মাহ মানেই শৰৎ ঋতু। সকলোৰে কয় শৰৎ ঋতু মানেই কিবা এক ভাল লগা অনুভৱ। গ্ৰীষ্ম, বৰ্ষাৰ উৎকট গৰমৰ পিছত দেহমন জুৰ পেলোৱা ফিৰফিৰীয়া বতাহজাক। বাৰিষাৰ মেঘে ওন্দোলা আকাশৰ পিছত আহিনৰ ফৰকাল আকাশৰ বুকুত এটুকুৰা দুটুকুৰা আলসুৱা মেঘৰ চপৰা। বোৱাৰী পুৱাতে নিয়ৰে চুমুক দিয়া তলসৰা শেৱালীয়ে প্ৰায় সকলো মানুহৰ মনতে কি যে এক পুলক জগায়।আহিন অথবা শৰতৰ এই মাদকতা লৈ কবি, গীতিকাৰৰ কলমত কিমান যে অভিনৱ সৃষ্টি হয়।সকলোৰে বিচাৰে এই শৰৎ ঋতুৰ সুন্দৰ মাদকতা প্ৰকৃতিৰ বুকুত যদি অলপ দীঘলীয়া কৈ থাকি গ'লহেঁতেন।সময়ৰ আহ্বান মতেই এইবাৰো আহিন আহিছে। শৰৎ আহিছে ধৰাৰ বুকুলৈ।কিন্তু এইবাৰ আমাৰ ৰাজ্যত বতৰৰ অসহনীয়, অসহ্যকৰ পৰিস্থিতিৰ বাবে আমি শৰতৰ মন জুৰ পেলোৱা মাদকতাক বিচাৰি ল'ব পৰা নাই। আহিনৰ ৰিব ৰিব মলয়া বতাহজাক আমাৰ গাত লগা নাই। পুৱাই দুৱৰিবনৰ ওপৰত নিয়ৰৰ টোপালবোৰ সৰি পৰা নাই। সুদূৰৰ পৰা ভাঁহি অহা শেৱালিৰ সুগন্ধি আমাৰ নাকত লগা নাই। বতৰৰ হঠাতে হোৱা এই অদ্ভুত পৰিৱৰ্তনে আমাক যেন শৰতৰ এই মাদকতা উপভোগ কৰিবলৈ সুযোগ দিয়া নাই। এই সকলোবোৰৰ মূলতে অৱশ্যে আমি সভ্য বুলি সততে দাবী কৰি অহা মানৱ জাতিয়ে দায়ী। প্ৰকৃতিৰ ওপৰত আধুনিক যুগৰ মানুহে যি ধ্বংসযজ্ঞ চলাইছে ইয়াৰ ফলতে প্ৰকৃতি ৰুষ্ট হৈ পৰিছে। অৱশ্যে চেপ্তেম্বৰ মাহৰ শেষৰ সপ্তাহটোত ৰাজ্যৰ ভিন্ন প্ৰান্তত এজাক দুজাক বৰষুণ নামি অহাত প্ৰকৃতি যেন সামান্য পৰিমাণে শান্ত হৈছে আৰু শৰতৰ প্ৰকৃতিক কিছু পৰিমাণে সুন্দৰ কৰি তুলিছে। সেইবাবে প্ৰকৃতিৰ প্ৰতিটো ঋতুৰ স্বকীয় ৰূপৰস পান কৰিব পৰাকৈ আমি সকলোৰে প্ৰকৃতিক আদৰ কৰিব লাগিব, প্ৰকৃতিক সকলোৰে সেউজ সুন্দৰ কৰি ৰাখিব লাগিব। প্ৰকৃতিক সুন্দৰ ভাৱে সুৰক্ষিত ভাৱে জীয়াই ৰাখিবলৈ আমি সকলোৰে এই শৰৎ ঋতুতে পণ ল'ব লাগে। শৰৎ ঋতু বিশেষভাৱে ভাল লগা হয় আমাৰ বাবে ইয়াৰ মূল কাৰণটো শৰৎ মানেই উছৱৰ পয়োভৰ। ভাদ আৰু আহিনৰ মাহত সংক্ৰান্তিৰ দিনটোত বিশ্বকৰ্মা পূজা হোৱাৰ লগে লগে উছৱৰ বতৰ আৰম্ভ হয়। শাৰদীয় দুৰ্গোৎসৱৰ পৰা কাতি বিহু, লক্ষ্মীপূজা, কালী পূজা। দীপাৱলী লৈ লানি নিছিগা উছৱৰ পয়োভৰ।প্ৰতিটো উৎসৱ পাৰ্বণৰ লগত সাঙোৰ খাই থাকে কিছুমান অভিনৱ দিশ। শৰৎকাল অথবা আহিন মান মানেই শাৰদীয় দুৰ্গোৎসৱৰ বতৰ। দুৰ্গতিনাশিনী দুৰ্গাদেৱীৰ পূজা আৰ্চনা কৰা হয়। আসুৰিক শক্তিৰ বিনাশ সাধন কৰি পৃথিৱীত যাতে শান্তি প্ৰতিষ্ঠা কৰা হয় তাৰ বাবে প্ৰতিবছৰে আহিন কাতি মাহত ৰাজ্যৰ চুকে কোণে শাৰদীয় দুৰ্গোৎসৱ অনুষ্ঠিত কৰা হয়। ইয়াৰ খনিকৰে নিজৰ নিপুণ হাতেৰে মৃন্ময় প্ৰতিমা নিৰ্মাণ কৰে। পূজা অনুষ্ঠিত কৰিবলৈ বিভিন্ন উপাচাৰৰ যোগান ধৰা হয় বাবে বিভিন্ন সামগ্ৰী ক্ৰয় বিক্ৰয়ত মানুহ ব্যস্ত হৈ পৰে। পূজা আহিলেই কনিষ্ঠৰ পৰা জ্যেষ্ঠলৈ সকলোৰে এসাজ নতুন কাপোৰ ল'বলৈ বিচাৰে। মুঠতে পূজা বুলিলেই আনন্দ। বিভিন্ন খোৱা লোৱা সামগ্ৰী, খেলা-ধূলাৰ সামগ্ৰী, সাজ-সজ্জাৰ সামগ্ৰী ইত্যাদিক লৈ সকলো ঠাইতে মেলা অনুষ্ঠিত হয়। কিন্তু এই আনন্দৰ বতৰত এই আনন্দ উপভোগ কৰিবলৈ মানুহৰ সকলো পৰিস্থিতি অনুকূল হ'ব লাগিব। ইয়াৰ বাবে চৌপাশে আমাৰ বাবে এক সুন্দৰ, সুৰক্ষিত পৰিৱেশ থাকিব লাগিব। কিন্তু ডাঙৰ প্ৰশ্নটোৱেই হৈছে সেইটো বছৰত অহা শাৰদীয় দুৰ্গোৎসৱটো আমাৰ ইচ্ছানুযায়ী উদ্‌যাপন কৰিব পৰাকৈ আমাৰ ৰাজ্যত বৰ্তমান সময়ত অনুকূল পৰিস্থিতিৰ অভাৱ। বছৰটোৰ বাৰিষা কালত হোৱা তিনিটা চাৰিটা বানপানীয়ে ৰাইজৰ ৰাজহাড় কোঙা কৰিছে। প্ৰায়ভাগ খেতিপথাৰৰ শস্য বানপানীত উছন হৈ গৈছে। আকৌ নতুনকৈ বহুতে শস্য ৰোপন কৰিছে, বহুতে ৰোপন কৰিব পৰা নাই। লহপহ কৈ গজি উঠা শস্যডৰা দুচকুৰ সমুখতে শেষ হৈ যোৱাত মানুহে গভীৰ হতাশাত ভুগিব লগীয়া হৈছে আৰু অৰ্থনৈতিক ভাৱেও জুৰুলা হৈ পৰিছে। বানপানীয়ে খেতি পথাৰৰ শস্যডাৰৰ এনে বিস্তৰ ক্ষতি কৰাৰ পিছত নিজ ব্যৱহাৰ্য্য সামগ্ৰীৰ জুঁই ছাই দামে সৰ্বসাধাৰণ ৰাইজক জ্বলাকলা দেখুৱাইছে। বহুতো মানুহৰ দুবেলা দুমুঠি খাদ্য খাবলৈ শস্যৰ অভাৱ হৈছে, অৰ্থৰ অভাৱ হৈছে। বহুলোকৰ ঘৰ বাৰীও পানীত উটি গৈছে। গতিকে উছৱৰ আগমণে এইলোক সকলৰ মনলৈ যিমান আনন্দ আনিব লাগে, সিমানখিন আনন্দ আনিব পৰা নাই। সেয়েহে পূজাৰ বজাৰখনত গ্ৰাহকৰ উৎসাহ উদ্দীপনা যিমান হ'ব লাগিছিল সিমান হোৱা নাই। ইফালে বিভিন্ন সামগ্ৰী ক্ৰয়, বিক্ৰয় কৰা ব্যৱসায়ী সকল আশাৰে ৰৈ আছে উছৱৰ দিন কেইটালৈ। উছৱৰ দিনকেইটাত কেইটামান টকা উপাৰ্জন কৰিব আৰু বছৰটোত কিছুদিন চলিবলৈ সেই টকা কেইটা সঞ্চয় কৰি থ'ব। দুৰ্গোৎসৱকে মূল কেন্দ্ৰ বিন্দু হিচাপে লৈ দুই তিনি সপ্তাহ আগৰে পৰা এখন বজাৰ বহে আৰু ইয়াত ব্যৱসায় বাণিজ্য কৰি জীৱিকা নিৰ্বাহ কৰা সকলে কেই টকামান উপাৰ্জন কৰে। যেতিয়া বজাৰ মূল্য বৃদ্ধিয়ে চুই যায় তেতিয়া সৰ্বসাধাৰণ ৰাইজে সেইখিনি ঢুকি নোপোৱা অৱস্থা এটাৰ সৃষ্টি হয়। একেধৰণে সাৰ্বজনীন পূজা একোখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ ৰাইজৰ পৰাও দান বৰঙণি সংগ্ৰহ কৰা হয়। কিন্তু এনেবোৰ কাৰণত মানুহৰ অৰ্থনৈতিক স্থিতিটো যেতিয়া দুৰ্বল হৈ পৰি তেতিয়া মানুহে দানবৰঙণি দিয়াৰ ক্ষেত্ৰতো সীমাবদ্ধতা আহি পৰে। তথাপি সময়ৰ আহ্বান মানি এই প্ৰতিকুল পৰিস্থিতিৰ মাজতো সময়ৰ আহ্বানৰ মতে শাৰদীয় দুৰ্গোৎসৱ আমাৰ মাজলৈ

( পাঁচ পৃষ্ঠাত চাওক)

# মহালয়াৰ তাৎপৰ্য



বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

আহিন মাহৰ শুক্লপক্ষৰ প্ৰথমা তিথিত পবিত্ৰ মহালয়া পালন কৰা হয়। মহালয়া হৈছে পিতৃ পক্ষ আৰু দেৱী পক্ষৰ সন্ধিক্ষণ। অৰ্থাৎ পিতৃ বা প্ৰেত পক্ষৰ অন্তিম ক্ষণ আৰু দেৱী পক্ষৰ আৰম্ভ এই সংযোগ বা সন্ধিক্ষণত পূৰ্ণ চন্দ্ৰৰ স্নিগ্ধ আলোক প্ৰাপ্তৰ সময়খিনি। সূৰ্য উদয় হোৱাৰ পূৰ্বৰ পৰা সূৰ্য উদয় পৰ্যন্ত প্ৰায় দুই ঘণ্টাৰ সময়খিনিকে ব্ৰহ্ম মুহূৰ্ত বুলি কোৱা হয়। মহালয়াৰ প্ৰকৃত সময় সেই খিনিয়েই। সেয়ে মহালয়াৰ পবিত্ৰ প্ৰাতঃকালীন ভ্ৰমণ কৰি সকলোৱে সু-স্বাস্থ্যৰ বাবে শক্তিৰূপা দেৱীৰ আশিস বিচাৰে।

মহালয়া শব্দৰ অৰ্থ বিচাৰ কৰিলে দেখা যায় মহা মানে পৰম আৰু লয় মানে বিলীন হোৱা। অৰ্থাৎ যি পৰম তত্ত্বৰ পৰা সকলো জীৱৰ জন্ম হয় আৰু য'ত সকলো বিলীন হৈ যায় সেয়ে মহালয়া। এই সময়তে মৃত্যুলোকত আশ্ৰয় লোৱা অশৰীৰি আত্মাবোৰে নিজ পৰিজনৰ বুজ ল'বলৈ আহে। এই বিশ্বাস লৈয়ে আমাৰ সমাজত স্বৰ্গগামী পুৰুষসকলৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কৃপা দৃষ্টি কামনাৰে পিণ্ড দিয়াৰ নিয়ম প্ৰচলিত হৈ আহিছে। আন এক বিশ্বাস মতে মহালয়াত মৃত্যু বৰণ কৰা লোকে পৰম গতি পায়। সেই মৃত ব্যক্তিৰ শ্ৰাদ্ধ নকৰিলেও শ্ৰাদ্ধৰ ফল ভাগী হয়।

কিংবদন্তি মতে শৰৎকালৰ এই দিনটোতে ধৰালৈ আগমন ঘটে মহিষমৰ্দিনী দশভুজধাৰী দেৱী দুৰ্গাৰ। দেৱীয়ে নিজৰ সন্তান - লক্ষ্মী, সৰস্বতী, কাৰ্তিক, গণেশৰ সৈতে দহ দিনৰ বাবে নাও, হাতী অথবা ঘোঁৰাত উঠি কৈলাসৰ পৰা ধৰাত থকা নিজ পিতৃ গৃহলৈ যায়। দহদিনৰ ভিতৰত ৰাক্ষসক বধ কৰি তেওঁৰ ভক্তসকলক সুৰক্ষা প্ৰদান কৰি আশীৰ্বাদ দিয়ে।

পুৰণি আখ্যানমতে মহীষাসুৰক বধ কৰিবলৈ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰে দেৱী দুৰ্গাৰ সৃষ্টি কৰিছিল। এই দিনটোতে তিনিওজন দেৱে দেৱী দুৰ্গাক নেত্ৰ প্ৰদান কৰি সম্পূৰ্ণ কৰি তুলিছিল। সেয়ে মহালয়াৰ দিনটোত দেৱী দুৰ্গাৰ মৃণ্ময় প্ৰতিমাত অন্তিম পৰস হিচাপে নেত্ৰ অঁকা হয়।

মহালয়া পশ্চিম বংগ, অসম আৰু ত্ৰিপুৰাকে ধৰি দেশৰ বিভিন্ন স্থানত পালন কৰা হয়। মহালয়াত পুৱাতে উঠি দেৱী দুৰ্গাক উপাসনা কৰে আৰু ইচ্ছা পূৰণৰ লগতে শান্তি কামনা কৰে। মুঠৰ ওপৰত শৰৎকাল অহাৰ লগেই চৌদিশ মুখৰিত হৈ পৰে মাতৃ বন্দনাৰে।

# আদ্যাশক্তি দেৱী দূৰ্গাৰ মাহাত্ম্য আৰু দূৰ্গা পূজা



**অলকা বুজৰ বৰুৱা,টিহু টাউন**

যা দেৱী সৰ্বভূতেষু শক্তি
ৰূপেন সংস্থিতা
নমস্তসৈ: নমস্তসৈ: নমস্তসৈ:
নমো নম:।

ঋতুৰ ৰাণী শৰৎ। এই সময়ত প্ৰকৃতি ৰঙে ৰূপে মোহনীয়া হৈ পৰে। কঁহুৱা ফুলে, নিয়ৰত দুবৰি তিতে, বতাহত বিয়পি পৰে শুভ্ৰ শেৱালিৰ সুবাস। এনে সময়তে ধৰাৰ বুকুলৈ নামি আহে দুৰ্গতি নাশিনী আদি শক্তি দেৱী দুৰ্গা। অসমৰ আকাশ বতাহ মুখৰিত হৈ পৰে দেৱী বন্দনাৰে শংখ ঘন্টাৰ মধুৰ ধ্বনিৰে। পুৰণি কালৰে পৰাই ভাৰতত মানুহৰ আশা -আকাংক্ষা পুৰণৰ হেতু বিভিন্ন দেৱ-দেৱীৰ পূজা -অৰ্চনা চলি আহিছে। তেনে এক পূজা হ'ল দুৰ্গা পূজা। দুৰ্গা পূজা অসম তথা ভাৰতৰ এক অন্যতম ডাঙৰ ধৰ্মীয় উৎসৱ।

হিন্দু ধৰ্মৰ এগৰাকী প্ৰধান উপাস্য দেৱী হ'ল দুৰ্গা। পুৰাণৰ মতে যিয়ে দুৰ্গ সম দুৰ্যোগ নাশ কৰিব পাৰে বা যাক পৰাস্ত কৰাটো অসম্ভৱ তেওঁৱেঁই দুৰ্গা। শাক্ত ধৰ্মী লোক সকলৰ বাবে দুৰ্গা সৰ্বোচ্চ আৰাধ্য দেৱী। বৈষ্ণৱ ধৰ্মত তেওঁক বিষ্ণুৰ অনন্ত মায়া আৰু শৈৱ ধৰ্মত শিৱৰ অৰ্ধাংগিনী হিচাবে আখ্যা দিয়া হৈছে। দুৰ্গাৰ বিভিন্ন অৱতাৰ সমূহ হ'ল কালিকা, নন্দা, ভ্ৰামৰী, সকম্ভৰী, সতী, পাৰ্বতী আদি। তেওঁৰ অন্যান্য নামসমূহ হ'ল -চণ্ডিকা, যোগমায়া, অম্বিকা, বৈষ্ণৱী, নাৰায়ণী, মহামায়া আদি।

দুৰ্গা শব্দৰ বিশ্লেষণ কৰিলে এইকেইটা অৰ্থ জনা যায়। দ = দৈত্য নাশ, উ-কাৰ= বিঘ্ননাশক, ৰেফ-কাৰ= ৰোগনাশক, গ=পাপ নাশক আৰু আ-কাৰ= ভয় তথা শত্ৰু নাশক। অৰ্থাৎ দৈত্য, বিঘ্ন, ৰোগ পাপ আৰু শত্ৰুৰ পৰা যিয়ে ৰক্ষা কৰে তেওঁৱেঁই দুৰ্গা। দেৱী দুৰ্গা আদি শক্তি। ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱে এই দেৱীৰ শক্তিৰে সৃষ্টি, পালন আৰু সংহাৰ কৰে।

হিন্দু দেৱী দুৰ্গাৰ আৰাধনাকে কেন্দ্ৰ কৰি অনুষ্ঠিত হয় হিন্দু সম্প্ৰদায়ৰ বৃহত্তম ধৰ্মীয় আৰু সামাজিক উৎসৱ দুৰ্গাপূজা। প্ৰকৃতিক ৰং ৰূপেৰে সজাই মোহনীয়া কৰি তোলা দুই ঋতু ক্ৰমে শৰৎ আৰু বসন্ত ঋতুতেই দুৰ্গা দেৱীৰ পূজা-অৰ্চনা কৰা হয়। শাস্ত্ৰ অনুসৰি আহিন মাহৰ শুক্লপক্ষত আৰু চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা অনুষ্ঠিত হয়। চ'ত মাহত বসন্ত কাল হয়, সেয়েহে এই সময়ত হোৱা দুৰ্গা পূজাক বাসন্তী পূজা বোলে। আনহাতে আহিন মাহত শৰৎ কাল হয় বাবে এই সময়ত হোৱা দুৰ্গা পূজা শাৰদীয় দুৰ্গা পূজা বুলি জনাজাত।

আহিন মাহৰ শুক্ল পক্ষৰ প্ৰথমা তিথিৰ পৰা আৰম্ভ কৰি পূৰ্ণিমাৰ দিনালৈ এই পক্ষটোক দেৱীপক্ষ নামেৰেও জনা যায়। পূৰ্ববৰ্তী অমাৱস্যাৰ দিনা দেৱীপক্ষৰ সূচনা হয়। ইয়াক মহালয়া নামে জনা যায়। পূৰ্ণিমাৰ দিনা লক্ষ্মী পূজাৰ লগত দেৱীপক্ষৰ অন্ত পৰে। পুৰাণৰ মতে সত্যযুগত সুৰথ নামৰ এজন ৰজাই শত্ৰুৰ হাতত পৰাস্ত হৈ ৰাজ্য হেৰুৱাই মেধস মুনিৰ আশ্ৰমত গৈ মুনিৰ শৰণাপন্ন হয়। মুনিৰ পৰামৰ্শ মতে ৰজাই মধুময় বসন্তৰ পৰিৱেশত দুৰ্গাপূজা অনুষ্ঠিত কৰি দেৱীৰ আশীষ লৈ শত্ৰুক পৰাস্ত কৰি ৰাজ্য উদ্ধাৰ কৰে। তেতিয়াৰ পৰাই বসন্ত কালত অনুষ্ঠিত হোৱাৰ বাবে এই পূজা বাসন্তী পূজা নামে অভিহিত হয়।

কৃত্তিবাসী ৰামায়ণৰ মতে ত্ৰেতা যুগত শ্ৰী ৰামচন্দ্ৰই ৰাৱণ বধৰ বাবে শক্তি লাভ কৰিবলৈ অকালতে শৰৎ কালত দুৰ্গাপূজাৰ আয়োজন কৰে। সেই সময়ৰ প্ৰচলিত পূজাবিধিৰ ব্যতিক্ৰম ঘটাই অকালতে পতা বাবে ইয়াক অকালবোধন আৰু শৰৎকালত পতা বাবে শাৰদীয় দুৰ্গাপূজা ৰূপে জনাজাত হয়।

দুৰ্গাপূজা চাৰিদিন পালন কৰাৰো তাৎপৰ্য আছে। কথিত মতে, হিমালয়ৰ কন্যা উমাই (দুৰ্গাই) বিবাহৰ বছৰছৰ পিছত মাত্ৰ তিনিদিনৰ বাবে পতি গৃহৰ পৰা মাতৃ গৃহলৈ আহিছিল। আৰু মাতৃ মেনকাক কন্দুৱাই চতুৰ্থ দিনাই পুনৰ স্বামীগৃহলৈ গমন কৰিছিল। সেয়েহে পূজাৰ চতুৰ্থ দিনৰ দিনা দেৱী বিসৰ্জন দিয়া হয়।

হিন্দু সকলে ভক্তি সহকাৰে ৯ দিনীয়াকৈ পালন কৰে নৱৰাত্ৰি। এই উৎসৱক বিশেষকৈ নাৰী শক্তিৰ উৎসৱ বুলি গণ্য কৰা হয়। নৱৰাত্ৰিৰ ন টা দিনত সম্পূৰ্ণ সাত্বিকতাৰে দুৰ্গাৰ ন টা ৰূপৰ পূজা কৰা হয়। পৰ্বতৰাজ হিমালয়ৰ কন্যা হিচাবে দেৱীৰ প্ৰথম পৰিচয় 'শৈলপুত্ৰী' ৰূপে। এই ৰূপত দেৱী বৃষভৰ ওপৰত অধিষ্ঠিত। তেওঁৰ সোঁহাতত থাকে ত্ৰিশূল আৰু বাওঁহাতত পদুমফুল। দ্বিতীয়তে, যিটো ৰূপত দেৱীয়ে শিৱক পাবৰ বাবে তপস্যা কৰিছিল সেয়া হ'ল 'ব্ৰহ্মচাৰিণী'। দেৱীৰ এই ৰূপ জ্যোতিৰ্ময়। এই ৰূপত দেৱীৰ সোঁহাতত জপমালা আৰু বাওঁহাতত কমণ্ডলু বিদ্যমান। তৃতীয় দিনা দেৱীৰ পূজা কৰা হয় 'চন্দ্ৰঘন্টা' ৰূপত। এই ৰূপত দেৱী দশভূজা আৰু বাহন সিংহ। দেৱীৰ চতুৰ্থ দিনৰ পূজা 'কুশমাণ্ডা' ৰূপত। বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ শক্তি অৰ্জন কৰাৰ পিছত দেৱীয়ে এই নাম পাইছিল। পঞ্চম দিনা কাৰ্তিকৰ মাতৃ 'স্কন্দমাতা' ৰূপে দেৱীপূজা কৰা হয়। এই ৰূপত দেৱীক শিশু স্কন্দ অৰ্থাৎ কাৰ্তিকক কোলাত লৈ থকা দেখা যায়। দেৱীৰ ষষ্ঠ ৰূপ 'কাত্যায়নী' আৰু সপ্তম ৰূপ 'কালৰাত্ৰি'। কালৰাত্ৰি ৰূপত দেৱী ত্ৰিনয়নী। তেওঁৰ তিনিওটা চকুৰ পৰা সকলো সময়তে বিদ্যুতৰ দৰে ৰশ্মি বিকিৰণ হৈ থাকে। দেৱীক অষ্টম দিনা 'মহাগৌৰী' আৰু নৱমীৰ দিনা 'সিদ্ধিদাত্ৰী' ৰূপত পূজা কৰা হয়।

দেৱতাসকলক অসুৰৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাৰ অৰ্থে দেৱতা সকলে দেৱী দুৰ্গাক নিজৰ নিজৰ ৰক্ত দি সৃষ্টি কৰিছিল, অস্ত্ৰ দি শক্তিশালী কৰিছিল আৰু আভুষণ আৰু অলংকাৰেৰে সজ্জিত কৰি অপূৰ্ব কৰি তুলিছিল। পুৰাণৰ মতে, চাৰিওফালৰ পৰা অসুৰৰ আক্ৰমণ প্ৰতিহত কৰাৰ অৰ্থে দেৱীৰ দহখন হাতৰ সৃষ্টি। দেৱীৰ দহখন হাতত দহবিধ অস্ত্ৰ বিৰাজমান আৰু এইবোৰৰ নিজা নিজা তাৎপৰ্য আছে।

দেৱীৰ বাঁওহাতত থকা গদা হ'ল আনুগত্যৰ প্ৰতীক। মহিষাসুৰৰ নিধনৰ বাবে ধৰ্মৰাজে দুৰ্গাৰ হাতত এই অস্ত্ৰ প্ৰদান কৰিছিল। পদুম ফুল, অক্ষমালা আৰু কমণ্ডলু প্ৰদান কৰিছিল প্ৰজাপতি ব্ৰহ্মাই। পদুম ফুল

*(আঠ পৃষ্ঠাত চাওক)*

# শৰতৰ মনোমোহা পৰিৱেশত মাঁ দূৰ্গাৰ আগমন



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

ছটি ঋতুৰ অন্যতম শৰৎ। প্ৰকৃতিৰ অনবদ্য ৰূপত ধৰালৈ সিঁচি দিয়ে দুহাত ভৰাই। শুকুলা মেঘৰ মনোৰম জোনাক নিশা মন মতলীয়া কৰে। দুবৰিয়ে মুকুতা পিন্ধে। টোপ টোপ নিয়ৰঁৰ সৰে শেৱালি সুবাসত। দুবৰিৰ পদুলি গছকি শৰৎ সোমায়। শৰৎক আদৰণি জনাবই লাগিব। শৰৎ আহিলে আকাশৰ বুকুত জোনাকৰ ধেমালি হয়। শৰতৰ শেৱালি সুবাসত দুৰ্গা দেৱীৰ ধৰা লৈ আগমন হয়।

যা দেবী সৰ্বভূতেষু শক্তি
ৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ
নমো নম:

নৱৰাত্ৰী অৰ্থাৎ দেৱী দুৰ্গাৰ নটা ৰূপ হ'ল- শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘন্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী।

প্ৰভু শ্ৰী ৰাম চন্দ্ৰই ৰাৱণক বধ কৰাৰ নিমিত্তে দেৱী দুৰ্গাক শাৰদীয় শৰত ঋতুত পূজা ভাগ আয়োজন কৰিছিল বুলি ধৰ্ম গ্ৰন্থত লিখা আছে। সেই নিয়মমতে শৰত কালতে অনুষ্ঠিত হয়। শাৰদীয় শৰতৰ আৰু শেৱালি ফুল এক নিবিড় সম্পৰ্ক আছে। সেই কাৰণে শেৱালি ফুল দুৰ্গা পূজাত ব্যৱহাৰ হয়। মোৰ কবিতা এটি দেৱী মাঁ চৰণত আগবঢ়ালোঁ

মাঁ দুৰ্গা ধৰালৈ
তোমাৰ আগমন।
আভূষণ বস্ত্ৰৰে সু -সজ্জিত হৈ
পূজাৰ বেদিত পৰিপূৰ্ণ হোৱা।
চাকি -বন্তি ধূপ -ধূণাৰ
উৰুলি শঙ্খ ধ্বনি মাজত
ভক্ত সকলে তোমাৰ আশীৰ্বাদ
বিচাৰি আহে
মনৰ অভিলাষ পূৰণৰ আশাত।
দুৰ্গতিনাশিনী তুমি দশ ভুজা
অপায়-অমঙ্গল নাশ কৰা মাঁ।

শৰৎ অহাৰ উলাহতে প্ৰাণ পাই উঠে মৃত শিল্পী, হাতত তুলি লয় তুলিকা প্ৰাণ পাই উঠে মৃণ্ময়া প্ৰতিমা। কোমল শেৱালি জোনাক নিশা শিল্পীৰ হাতৰ পৰশত দুৰ্গা, লক্ষ্মী, মাঁ কালী অনেক দেৱ -দেৱীৰ প্ৰতিমাৰ সৃষ্টি। শিল্পীৰ হাতত অহৰহ চলি থাকে তুলিকা। ভাগৰৰ কথা নাই দুখ নাই।

পূজা মানেই উৎসৱৰ মেলা- ফুলজাৰী, আতচবাজী, পোছাকৰ পয়োভৰ। পুতলা, পিস্তল ইত্যাদি। হাঁহি-ধেমালি শিশুসকলৰ, জিলাপী আৰু বুন্দীয়াৰ লাডু চৌপাশে কেৱল মিঠা মিঠা হাঁহি আনন্দৰ মেলা।

শৰৎ যিদৰে আহে এদিন গুচিও যায়। শৰতৰ সময়ত ঢেউ তুলি নাচি থকা কঁহুৱা বোৰ চাবলৈ আমি নদীৰ ঘাটলৈ ফুৰিব যোৱা মনত পৰে। দুৰ্গা পূজাৰ বতৰা আমি কি পিন্ধিম কেনেকৈ পূজা চাবলৈ যাম, সেইবোৰ আলোচনা কৰি আমাৰ চোতালত উমলিছিলো। শৈশৱৰ আহ:কি যে সুন্দৰ দিন আছিল, সেইবোৰ এক নষ্টালজিয়া। পদধ্বনি জগাই প্ৰকৃতিক "শৰৎ" ঋতুৱে এক আনন্দৰ বতৰা পূজাৰ মনোৰম প্ৰাকৃতিক পৰিৱেশ আমাৰ এক হৃদয়ৰ আবেগ জড়িত হৈ থাকে।

# দূৰ্গা পূজাৰ তাৎপৰ্য আৰু মহত্ব



**ডালিমী কুলাধীপতি,কামৰূপ**

শ্ৰী শ্ৰী দুৰ্গা দেব্যৈ নমঃ
যা দেবী সৰ্বভূতেষু
শক্তিৰূপেন সংস্থিতা।

অৰ্থাৎ, যি দেৱী সমস্ত জীৱ তথা চৰাচৰৰ শক্তি আৰু শান্তি ৰূপত অৱস্থান কৰে সেই দেৱীক নমস্কাৰ। বাৰ বাৰ নমস্কাৰ।

হিন্দু ধৰ্মত বৃহত্তম সামাজিক উৎসৱৰ ভিতৰতে শক্তিশালী ৰূপে মানা হয় দুৰ্গা পূজাক। এই পূজাক দুৰ্গোৎসৱ বুলিও কোৱা হয়। শাৰদীয় আকাশ হৈ পৰে পূজা পূজা লগা আমোল-মোল সুবাস। বিশ্ব শান্তি আৰু মঙ্গলাৰ্থে দুৰ্গতি নাশিনী, জগত জননী আদ্যা শক্তি মহামায়া দুৰ্গা পূজা বিধি অনুসাৰে পালন কৰা হয়। দুৰ্গা পূজাক নৱৰাত্ৰি বুলিও কয়। এই নৱৰাত্ৰি শৰৎ আৰু বসন্ত ঋতুৰ শুক্লা প্ৰতিপদ তিথিৰ পৰা আৰম্ভ হৈ নৱমীত শেষ হোৱাৰ লগে লগে দশমী তিথিত মা দেৱীৰ বিৰ্সজন প্ৰক্ৰিয়াও আৰম্ভ হয়। শাস্ত্ৰ মতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয়। চ'ত মাহ বা বসন্তকালৰ দুৰ্গা পূজাক বাসন্তী পূজা বোলা হয়। শৰৎ মানেই শাৰদীয় ৰাণী নিয়ৰে ধুওৱা পৃথিৱীলৈ আগমণ। কঁহুৱাৰ পাখি মেলি দুবৰিৰ দলিচা গচকি শেৱালিৰ ৰং সানিবলৈ নামি আহে সৰগৰ পৰা ধৰালৈ আৰু ধৰা হৈ পৰে সৰগ সদৃশ।

আহিন অৰ্থাৎ শৰৎ কালৰ দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা বুলি কোৱা হয়। দেৱী দুৰ্গা হ'ল সৃষ্টিৰ আদি। পিতামহ ব্ৰহ্মা, ভগৱান বিষ্ণু আৰু ভগৱান শংকৰে তেওঁৰে শক্তিৰে এই সৃষ্টিৰ সৃজন, পালন-পোষণৰ লগতে সংহাৰো কৰে। এই নটা দিনত মা ভগৱতী দুৰ্গা দেৱীৰ ৯টা অৱতাৰত পূজা আৰু চন্দী পাঠ হয়। এই নটা ৰূপ হ'ল- শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী। মহালয়াৰ পবিত্ৰ ক্ষণত দেৱীৰ মত্যলৈ আগমনৰ লগে লগে আৰম্ভ হয় নৱৰাত্ৰি ব্ৰত। হিন্দুশাস্ত্ৰত "দুৰ্গা" শব্দটিৰ প্ৰতি আখৰৰ ব্যাখ্যা কৰি বৰ্ণনা কৰি কৈছে-

দৈত্যনাশাৰ্থবচনো দকাৰঃ
পৰিকীৰ্তিতঃ।
উকাৰো বিঘ্ননাশস্য বাচকো
বেদসম্মত।।
ৰেফো ৰোগঘ্নবচনো গশ্চ
পাপঘ্নবাচকঃ।
ভয়শত্ৰুঘ্নবচনশ্চাকাৰঃ
পৰিকীৰ্তিত।।

অৰ্থাৎ "দ" বৰ্ণই দৈত্য বিনাশ কৰে। "উ"-কাৰে বিঘ্ন নাশ কৰে। ৰেফ ডালে ৰোগ নাশ কৰে। তেনেকৈ "গ" বৰ্ণই পাপ নাশ কৰে। "আ"-কাৰে শত্ৰু নাশ কৰে। ইয়াৰ মূল কথাতো চালে ওলাই পৰে দৈত্য, বিঘ্ন, ৰোগ, পাপ আৰু শত্ৰুৰ হাতৰ পৰা যি ৰক্ষা কৰে তেঁৱেই হৈছে দুৰ্গা।

আন এক তথ্য অনুসৰি "শব্দকল্পদ্ৰুমত" দুৰ্গং নাশয়তি যা নিত্যং সা দুৰ্গা বা প্ৰকীৰ্তিতা। অৰ্থাৎ, যি দুৰ্গ নামে অসুৰক বধ কৰিছিল, তেঁৱেই সকলো সময়ত দুৰ্গা নামেৰে পৰিচিত।

ভাৰতৰ কলকাতা, অসম, ত্ৰিপুৰা, বিহাৰ, ঝাৰখাণ্ড আৰু উৰিষ্যাত দুৰ্গাপূজা সৰ্বাধিক জাক-জমককৈ পালন হয়। বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলৰ মাজতো দুৰ্গা পূজা পালন হয়। পূজাৰ এই কেইদিন ধূপ-ধূনা, হোমৰ গোন্ধৰে অন্য এক মাত্ৰা প্ৰদান কৰে। ডবা, কাহ, শংখ, ঘণ্টাৰ ধ্বনিত মানুহৰ অন্তৰে অন্তৰে স্বৰ্গীয় পৱিত্ৰতা অনুভূত হয়। বৈকুণ্ঠধামত পৰিণত প্ৰতি পূজাৰ মণ্ডপে মণ্ডপে হিংসা, দ্বেষ, কপটতা সকলো পাহৰি ভক্তসকলে মা দুৰ্গাৰ চৰণত মূৰদোৱাই সৰ্বশক্তি বৰ্ধক, সৰ্ব ৰোগ নাশক, সৰ্ব শত্ৰু নাশক, সন্মান, বিদ্যা বুদ্ধি, ঐশ্বৰ্যবিভূতিৰ আশীৰ্বাদ বিচাৰে।

সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থকা এই দুৰ্গোৎসৱ যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত । এই পক্ষটোক দেৱীপক্ষ বুলিও কোৱা হয় । পূৰ্ববৰ্তী অমাবস্যাৰ দিনা এই দেৱীপক্ষৰ সূচনা হয় আৰু ইয়াকে মহালয়া বুলিও জনা যায় পূৰ্ণিমাৰ দিনা লক্ষ্মী পূজা হিচাপে ধৰা হয়। দেৱীৰ আগমন আৰু গমণৰ ফলাফলৰ বৈশিষ্ট্যপূৰ্ণ বিচাৰে মৰ্তলোকৰ শুভ অশুভ ফল বিশ্বাস কৰা হয়।

# শৰতৰ অনুভৱ

**ৰাজশ্ৰী শৰ্মা**
**গোলাঘাট, বনগাঁও**



ঋতু আহে ঋতু যায়। দি যায় নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ প্ৰকৃতিৰ নিয়মৰ গাঁথা। ছয় ঋতুৰ সমাহাৰেৰে বৈশিষ্ট্যপূৰ্ণ "শৰত" ঋতুৰ ৰাণী শৰৎ এক সঞ্জীৱনী শক্তি। আহিনৰ আচল টানি ভুমুকি শৰতে। এক শান্ত, সম্মোহিত ঋতু যাৰ নাম শৰত। অতি সংগোপনে আগমন ঘটে আমাৰ মাজলৈ। এটি চিনাকি চিনাকি লগা সুবাস যাৰ আমোলমোলত মুখৰিত কৰিছে। চোতালৰ শেৱালি পাহিয়েও সুবাস বিলাই মিচিকিয়াই হাঁহিছে।

এয়া যে শেৱালি ফুলাৰ বতৰ। শৰত শেৱালিৰ আজন্ম প্ৰেমিক। শৰতৰ বাবেই যেন শেৱালি আৰু শেৱালিৰ বাবেই যেন শৰত। "শৰত" শব্দটিতেই নিহিত হৈ আছে এক মায়াবী "শৰত" শব্দটিতেই নিহিত হৈ আছে এক মিঠা অনুভূতি, নিৰাশাৰ মাজতো আশাৰ বতৰা কঢ়িয়াই অনা এটি সুখৰ সফুঁৰা।

স্নিগ্ধ শেৱালি ফুলৰ সুবাসে মন মতলীয়া কৰে। শেৱালিৰ মিঠা সুঘ্ৰাণৰ সুবাসত কবিয়ে কবিতা লিখে তেওঁৰ প্ৰেয়সীলৈ, গায়কে গীত যোৰে আৰু প্ৰেমিকেও শৰতক লৈয়ে বহুতো সপোন ৰচে। নৈ পাৰত কঁহুৱাই বহু মনৰ কথা কৈ যায়। নিৰ্মল আকাশৰ তলত শুকুলা মেঘৰ মাজত সুঘ্ৰাণত শেৱালিৰ মিঠা সুবাস কঁহুৱা ফুলৰ মন প্ৰাণ হৰি নিয়া নৈসৰ্গিক দৃশ্য। কহুৱা ফুল ঠিকনাবিহীন শৰতে আমন্ত্ৰণ জনায় শাৰদীয় দুৰ্গতি নাশিনী দেৱী-দুৰ্গা পূজা। এই ঋতুত সকলো অপশক্তিক নাশ কৰিবলৈ মহৰ্ষি মৰ্দনী মা দুৰ্গা মত্যলৈ নামি আহে দুৰ্গতি নাশিনী দেৱী-দুৰ্গাৰ শাৰদীয় পূজা। এই মোহনীয় ঋতুৰ কোনোৱা পবিত্ৰ ক্ষণত পুৰুষোত্তম ৰামচন্দ্ৰই দেৱী মহামায়াৰ আৰাধনা কৰিছিল অশুভ শক্তিক পৰাভূত কৰিবলৈ। সকলো অপশক্তিক নাশ কৰিবলৈ মহৰ্ষি নন্দিনী মা দুৰ্গা মত্যলৈ নামি আহি মত্যৰ ভক্ত প্ৰাণ সকলে জাউৰিয়ে জাউৰিয়ে উৰুলি, দবা, শংখৰ ধ্বনিত আকাশ কঁপাই ।

পূজাৰ মণ্ডপবোৰ নানাৰঙী সাজ-সজ্জাই আটক ধুনীয়া কৰি তোলে। আহিন মাহৰ শুক্লা ষষ্ঠী তিথিৰ পৰা দশমীলৈকে ভক্তগণে মাংগলিক ধ্বনীয়ে আকাশ- বতাহ মুখৰিত কৰি আইৰ চৰণত পূজা-অৰ্চনা কৰে। শাৰদীয় বৰ্ণময় আবেশে মনৰ কলুষতা আঁতৰাই হৃদয়ত পৱিত্ৰতাৰ ঢল বোৱাই দিয়ে।

শৰতৰ বুকুতে নিহিত হৈ থাকে বিভিন্ন পূজা পাৰ্বন। গণেশ চতুৰ্থী, বিশ্বকৰ্মা পূজা, দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা, ৰাসমহোৎসৱ আদি লানি নিছিগা উৎসৱৰ বতৰা।

# শাৰদীয় দুৰ্গোৎসৱ

আহিছে। গতিকে আমি সকলোৱে মিলা প্ৰীতিৰ মাজেৰে এই উৎসৱ অনুষ্ঠিত কৰিব লাগিব। বুজাপৰা আৰু শান্তি শৃঙ্খলা বজাই ৰখাটো বহুত ডাঙৰ কথা এক ৰাজহুৱা উৎসৱ পাৰ্বণ সুচাৰুৰূপে চলি যোৱাৰ ক্ষেত্ৰত। আমি সকলোৱে মন কৰিব লাগে যে আমাৰ সমাজত কিছুদিনৰ পৰা মানুহৰ মাজত সামাজিক সুৰক্ষাৰ যথেষ্ট অভাৱ পৰিলক্ষিত হৈছে। চুৰি, লুণ্ঠণ, অসামাজিক কাৰ্য্য কলাপ আদি বহু পৰিমাণে বৃদ্ধি পাইছে। মহিলা, যুৱতী, কিশোৰী সকলৰ সুৰক্ষাৰ যথেষ্ট অভাৱ বৃদ্ধি পাইছে। কনিষ্ঠৰ পৰা জ্যেষ্ঠলৈকে সকলোৱে মাজত সুৰাৰ ব্যৱহাৰ যথেষ্ট হাৰত বাঢ়িছে। প্ৰতিবাৰ দুৰ্গোৎসৱৰ সময়ত দেখা যায় বহুতেই এই পূজাৰ দিনকেইটাতো যথেষ্ট পৰিমাণে সুৰা সেৱন কৰি নানা ধৰণৰ অশ্লীল চিঞৰ বাখৰ, গাজি গালাজ কৰা পৰিলক্ষিত হয়। বিগত কেইবাটাও দিনত দুৰ্গা পূজাৰ দিনকেইটাতো এনেদৰে বহুতে সুৰাপান কৰি যুৱতী, মহিলাক অশ্লীল গালি লগতে মহিলা, যুৱতীৰ ওপৰত কিছুমান অবাঞ্চিত কাম কৰাৰ দৰে ঘটনাও পোহৰলৈ আহিছে। এনেধৰণৰ ঘটনা সংঘটিত হ'লে উৎসৱ, আনন্দৰ পৰিৱেশ বহু পৰিমাণে ম্লান হৈ যায়। সামাজিক পৰিৱেশ দূষিত হোৱাৰ লগে লগে মানুহৰ মনটো ভয়, শংকাৰে আৱৰি থাকে আৰু কোনোধৰণৰ আনন্দত মিলিত হ'ব নোৱাৰে। সেইবাবে শাৰদীয় দুৰ্গোৎসৱৰ লগতে সকলো ধৰণৰ উৎসৱ যাতে শান্তিপূৰ্ণ ভাৱে উদযাপিত হয় সেইক্ষেত্ৰত সমাজৰ জ্যেষ্ঠ, কনিষ্ঠ সকলো লোকৰে সামাজিক দায়বদ্ধতা আছে। প্ৰতি গৰাকী ব্যক্তিয়েই যদি এই দিশটোলৈ লক্ষ্য ৰাখে তেন্তে উৎসৱ অনুষ্ঠানৰ সময়ত অপ্ৰীতিকৰ পৰিস্থিতি হোৱাৰ পৰা বহু পৰিমাণে বচাই ৰাখিব পাৰি। আশা ৰাখিলোঁ মা দেৱী দুৰ্গাৰ আশীৰ্বাদত সকলোৰে জীৱনলৈ সুখ, শান্তি আহক। সমাজখন শান্তিপূৰ্ণ হওঁক। বোমা, বাৰুদ, অসূয়া অশান্তিৰ গোন্ধবোৰ আঁতৰি যাওঁক? আমোলমোল শেৱালি ফুলৰ সুবাসেৰে উপচি পৰক সকলোৰে মন আৰু হৃদয়।

# দূৰ্গা পূজা

অনিতা গগৈ

শৰৎ আৰু বসন্ত ঋতুতেই দুৰ্গাপূজা অনুষ্ঠিত হয়। পুৰাণৰ মতে গিৰিৰাজ হিমালয়ৰ ঔৰসত মেনকাদেৱীৰ গৰ্ভত দুৰ্গাদেৱীৰ জন্ম হয়। দেবাদিদেৱ মহাদেৱ দুৰ্গাদেৱীৰ স্বামী। দুৰ্গাদেৱী ৰণচণ্ডী, কালী, কাপালী, নৃমুণ্ডমালিনী আদি বিভিন্ন নামে অভিহিতা। সত্যযুগত সুৰথ নামৰ এজন ৰজাই শত্ৰুৰ হাতত পৰাস্ত হৈ ৰাজ্য হেৰুৱাই মেধস মুনিৰ আশ্ৰমত গৈ মুনিৰ শৰণাপন্ন হয়। বসন্তকালত অনুষ্ঠিত হাৰোঁৰ বাবে সেই পূজা বাসন্তী পূজা নামে অভিহিত হয়।

কৃত্তিবাসী ৰামায়ণৰ মতে ত্ৰেতাযুগৰ শ্ৰীৰামচন্দ্ৰই ৰাৱণক বধ কৰিবলৈ শক্তি লাভৰ কাৰণে অকালতে শৰকালত দুৰ্গাদেৱীৰ পূজাৰ আয়োজন কৰে। সেই সময় প্ৰচলিত বিধিৰ ব্যতিক্ৰম ঘটাই ৰামচন্দ্ৰই অকালতে দেৱীক আহ্বান জনাৱোঁৰ বাবে ৰামচন্দ্ৰই অনুষ্ঠিত কৰা শাৰদীয় পূজাকে অকালবাধেন বুলি কোৱা হয়। অৱশ্যে বাল্মীকি ৰামায়ণত ৰামচন্দ্ৰই পতা দুৰ্গাপূজাৰ কোনো উল্লেখ নাই। বংগদেশত প্ৰায় চাৰে তিনিশ বছৰৰ আগতে তাহেৰপুৰৰ ৰজা কংশনাৰায়ণে সৰ্বপ্ৰথমে দুৰ্গাপূজা অনুষ্ঠিত কৰিছিল বুলি প্ৰবাদ আছে।

দুৰ্গাপূজা প্ৰকৃতপক্ষে এটি ধৰ্মীয় অনুষ্ঠান। দুৰ্গাদেৱী দশভুজা। দশ হস্তে দহ পাত শাণিত অস্ত্ৰ, সিংহৰ পিঠিত আৰোহণ কৰি তেওঁ পৰম পৰাক্ৰমী মহিষাসুৰক নিধন কৰিবৰ কাৰণে উদ্যতা। তেওঁৰ সোঁ কাষত ঐশ্বৰ্য বিভূতিৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু সিদ্ধিদাতা গণেশ, বাওঁ কাষত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰ্ব শুক্লা আই সৰস্বতী আৰু বীৰ্যৱান দেৱতাসকলৰ সেনাপতি কাৰ্তিক। একেখন বেদীতে এইসকল দেৱ-দেৱীৰ স্থাপনত এক বিশেষ অৰ্থ নিহিত আছে। অসুৰ জগতৰ সকলো অশুভ শক্তিৰ প্ৰতীক। এই অশুভ শক্তিয়ে দশো দিশৰ পৰা মানুহক আক্ৰমণ কৰি জীৱন দুৰ্বিষহ কৰি তালে, জগতত দুৰ্যোগৰ সৃষ্টি কৰে। জগতৰ আদ্যাশক্তি দুৰ্গাই দহ হস্তে দহ অস্ত্ৰ লৈ দশেদিশৰ এই মহাবীৰ্যৱন্ত অসুৰৰূপী অশুভ শক্তিক দমন কৰি, নিৰ্মুল কৰি ঐশ্বৰ্যবিভূতি, শিক্ষা দীক্ষাৰে জগত জোনালী-সোণালী কৰি বিশ্ববাসীৰ মাজত মহাশান্তি প্ৰতিষ্ঠা কৰিব।

দেৱতাৰ বাসভূমি ভাৰতত মানুহৰ আশা-আকাংক্ষা, কামনা বাসনা পূৰণৰ কাৰণে দেৱ-দেৱীক পূজা উপাসনা কৰা, দেৱ-দেৱীৰ আশীৰ্বাদ লাভ কৰিবৰ কাৰণে মহা তপস্যাত ব্ৰতী হাৱোঁৰ উদাহৰণ অক্ষয় অপাৰ। দুৰ্গাদেৱী শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰূপে যুগে যুগে এক শ্ৰেণীৰ ভক্তৰ দ্বাৰা পূজিতা হৈ আহিছে। বৰ্তমান যুগত দুৰ্গাপূজা বংগদেশ জাতীয় উৎসৱৰূপে পৰিগণিত হৈছে।

আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত (এই তিথি কোনো কোনো বছৰত কাতি মাহতো পৰেগৈ) দেৱীৰ বাধেন কাৰ্য আৰম্ভ কৰি আৱাহন আৰু অধিবাস কাৰ্য সম্পন্ন কৰে। সপ্তমী, অষ্টমী আৰু নৱমী এই তিনিটা তিথিত দেৱীৰ ভক্তসকলে পুৰোহিতৰ পৰিচালনাত ষাড়শোপেচাৰে দেৱীক পূজা কৰি ভক্তি অঞ্জলি প্ৰদান কৰে। অষ্টমী আৰু নৱমী তিথিৰ সন্ধিক্ষণত যি বিশেষ পূজা অনুষ্ঠিত হয়, তাক সন্ধি পূজা বোলে। দশমী তিথিত দেৱী বন্দনা আৰু আৰাধনাৰ সকলো কাম সমাপ্ত হয় আৰু দেৱীক বিসৰ্জন দিয়া হয়। নানা বাদ্য-ভাণ্ডাৰে শোভাযাত্ৰা কৰি কোনো নদীত বা জলাশয়ত প্ৰতিমা উটুৱাই দিয়া হয়।

পূজাৰ এই পবিত্ৰ অনুষ্ঠানত ধূপ-ধুনা আৰু হামেৰ গন্ধই, ডবা, কাহ, শংখ, ঘণ্টাৰ সন্মিলিত সময়ে মানুহৰ অন্তৰে অন্তৰে স্বৰ্গীয় পবিত্ৰতা সানি দিয়েহি। হিংসা, দ্বেষ, কপটতা বিসৰ্জন দি ভক্তসকলে দেৱীৰ চৰণত মূৰদোৱাই শক্তি, বিদ্যা বুদ্ধি, ঐশ্বৰ্যবিভূতি কামনা কৰে। মানুহেৰে উদুলি-মুদুলি পূজামণ্ডপ যেন বৈকুণ্ঠধামত পৰিণত হয়। ভাওনা, থিয়েটাৰ আদিয়ে পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

দেৱী বিসৰ্জনৰ পাছত পুৰোহিতৰ দেহ-মন ক্লান্তিৰে ভৰি পৰে; মন আচ্ছন্ন হৈ যায়। ভক্তসকলৰ অন্তৰতো, দেৱী-বিসৰ্জনৰ বিচ্ছেদে বিষাদৰ সৃষ্টি কৰে। বঙালীসকলে আত্মীয়-স্বজনৰ সৈতে হোলিংগন কৰি পৰম্পৰক শ্ৰদ্ধা, ভক্তি আৰু শুভেচ্ছা নিবেদন কৰে। এই অনুষ্ঠানটি বিজয়া নামে জনাজাত।

দুৰ্গাপূজা চাৰিদিনতে সমাপ্ত হয়; তাতকৈ বেছি দিন পূজা নহয়। ইয়াৰ এটা অন্তৰ্নিহিত লৌকিক কাহিনী বঙালীসকলৰ মাজত প্ৰচলিত আছে। হিমালয়ৰ কন্যা উমাই (দুৰ্গাই) বিবাহৰ বহু বছৰৰ পাছত পুত্ৰ কন্যা সমন্বিতে



মাত্ৰ তিনিদিনৰ বাবেহে পতি-গৃহৰপৰা পিতৃগৃহলৈ আহিছিল আৰু মাতৃ- মেনকাক কন্দুৱাই চতুৰ্থদিনাই পুনৰ পতিগৃহলৈ গমন কৰিছিল। সেইবাবেই পূজাৰ চতুৰ্থ দিনা দেৱীৰ বিসৰ্জন হয়। বঙালীসকলৰ পাৰিবাৰিক জীৱনতো এই কাহিনীৰ সামঞ্জস্য তেওঁলোকে দেখিবলৈ পায়। বিবাহিতা কন্যাৰ পিতৃ-গৃহলৈ আগমনত অন্যান্যসকলৰ লগতে মাতৃৰ অন্তৰ আনন্দত উদ্বেলিত হৈ উঠে। সেইদৰে স্বামী-গৃহলৈ প্ৰত্যাগমনৰ দিনা বিদায়বেলাত মাতৃৰ অন্তৰেই আটাইতকৈ বেদনাসিক্ত হৈপৰে; অশ্ৰুনীৰে বেদনা-সাগৰ পূৰ্ণ হৈ যায়; এই সাদৃশ্যই, সামঞ্জস্যই দুৰ্গাপূজাক বঙালীসকলৰ অতি দৰদৰ, অতি মৰমৰ প্ৰাণৰ আপোন কৰি তুলিছে।

দুৰ্গাপূজা বঙালী সকলৰ পাৰিবাৰিক জীৱনত মিলনৰৰ উৎসৱ বুলি ক'ব পাৰি। সুদীৰ্ঘ প্ৰবাসী জীৱন যাপনৰ পাছত পূজাৰ সময়ত ভাই-ককাই, বাই-ভনী, আত্মীয়-স্বজন ঘৰলৈ ফিৰি আহি মাতৃৰ স্নেহৰ স্নেহময়ী কোলাৰ আচলত জিৰণি লৈ হিয়া শাত পেলায়। অতদিনে উৰুঙা-উৰুঙা, ৰিঙা-ৰিঙা লগা ঘৰখন আনন্দমুখৰ হৈ উঠে। পিতৃ-মাতৃৰ অন্তৰ আনন্দত গৰ্ৱত নাচি উঠে। সেয়েহে ই মিলনৰো উৎসৱ।

শাস্ত্ৰৰ মতে পূঁজাৰ প্ৰতিমা গঢ়িবলৈ দামুৰীৰ মূত্ৰ, গোবৰ, ধানৰ শিৰা, পবিত্ৰ গংগাজল আৰু নিষিদ্ধ গলীৰ মাটিৰ মিশ্ৰন দৰকাৰ হয়। পৌৰাণিক দিনৰ পৰা আজিলৈকে এনেকৈ তৈয়াৰ কৰা হয় দেৱীৰ প্ৰতিমা। কিয় এই বিশেষ নিয়ম তাৰো কাৰণ আছে। পুৰুষে এৰি থৈ অহা পূণ্যৰে বেশ্যালয়ৰ মাটি হয় অতি পবিত্ৰ। সেই কাৰণেই এই মাটিৰে গঢ়া হয় দেৱী মূৰ্তি। এই ৰীতিকে পালন কৰি সকলো নাৰীকে মাতৃস্বৰূপা বুজোৱা হয়। সমাজত যিসকল অৱহেলিত, যিসকলক অৱজ্ঞা কৰা হয়, যিসকলক লাঞ্ছনা বঞ্চনাৰ কৰা হয়। যিসকলৰ সমাজত ঘৃণা আৰু উপেক্ষাৰ কৰা হয় সেইসকলৰ ঘৰৰ মাটি দেৱীমূৰ্তিৰ বাবে ব্যৱহাৰ কৰা হয়। বিশ্বাস কৰে পুৰুষে যেতিয়া পতিতালয়লৈ গৈ বেশ্যাৰ সৈতে ঘনিষ্ঠ হয় তেতিয়াই তেওঁ গোটেই জীৱনৰ সঞ্চিত সমস্ত পূণ্য পতিতালয়তেই এৰি আহে। আৰু তেওঁ লগত লৈ যায় সমস্ত শৰীৰত আৰু মনত পাপ। তেতিয়াই তেওঁৰ জীৱন পাপেৰে ভৰি পৰে।

বিশ্বাস কৰে যে পুৰুষৰ মাজতে লুকাই থকা কামনা-বাসনা, লালসা সকলো পতিতাসকলে নিজলৈ লৈ লয়। পুৰুষে নজনাকৈয়ে আপোনা আপুনি পতিতাৰ গাঁলে গুচি যায়। তেওঁলোকে নিজকে অশুদ্ধ, অপবিত্ৰ কৰি সমাজক শুদ্ধ কৰি লগতে পবিত্ৰ কৰি ৰাখিব খোজে।

দেৱী মূৰ্তি তৈয়াৰ কৰোঁতে পতিতালয়ৰ মাটি ব্যৱহাৰৰ কৰাৰ প্ৰকৃত উদ্দেশ্য হ'ল যিসকল এই পৰিস্থিতিৰ বলি হৈছে তেওঁলোকক সন্মান কৰা।

নাৰী কেতিয়াও অপবিত্ৰ হ'ব নোৱাৰে, এই ধাৰণাই অন্তৰ্নিহিত হৈ আছে এই ৰীতিৰ আঁৰত। শৰৎকালত দেৱীৰ অকাল বোধন কৰা হয়। এই সময়ত দেৱীৰ ৯টা ৰূপৰ পূজা কৰা হয়। এই ৯টা ৰূপৰ আৰাধনা কৰোঁতে পতিতালয়ৰ নাৰীসকলকো সেই নাৰীসকলৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়। ধাৰণা কৰা মতে এই ৰীতিৰ উদ্দেশ্য এয়াই, সকলো নাৰীক সন্মান, দেৱী জ্ঞান কৰা মানৱৰ পৰম ধৰ্ম।

## শাৰদীয় বতৰতে সিংহাবাসনতে

যমুনা দুলু বৈশ্য, শুৱালকুছি



মহালয়া ধৰিত্ৰীত উলাহ -মালহ চৌদিশ
নৱৰাত্ৰিৰে শাৰদীয় বতৰতে কৰে স্তুতি
ন টা নামেৰে বসুন্ধৰাত আৱিৰ্তিৰে
স্বৰ্গৰ পৰা পৃথিৱীলৈ
অ মা শৈলপুত্ৰী প্ৰথমা নামে
ভক্তগণে কৰে আৰধনা দ্বিতীয় মা ব্ৰহ্মচাৰিণী,
সৃষ্টি, স্থিতি প্ৰলয়ৰ তুমি জগত মাতা ।
দয়াকৰা তৃতীয় নামে মা, তুমি চন্দ্ৰঘণ্টা
ক্ষমাৰে চোৱা চতুৰ্থ মা কুষ্মান্দা
হৃদয় আলোক কৰা পঞ্চমী মা স্কন্দমাতা
জনালোঁ স্বাগতম মা
সহানুভূতি হ'বলৈ সাহস দিয়া
ষষ্ঠী মা তুমি কাত্যায়ণী,
প্ৰেমভাৱে ধূপ-দীপে বন্দতাৰে
মাতিছো সপ্তমীতে মা, কালৰাত্ৰি
সৎ শক্তি দিয়া অষ্টমী মা, মহাগৌৰী
জগতমাতা নৱমীত মা সিদ্ধিদাত্ৰী
শাৰদীয় বতৰৰ শুভদিনৰ
সিংহাবাসনতে মা দুৰ্গা দশভূজা
ভক্তিভাৱে পূজে নৰগণে
বিপদ নাশিনী দুৰ্গতি নাশিনী ত্ৰিনয়নী
চৰণে ধৰি কৰিলোঁ প্ৰণাম
দুৰ্গা মা দিবা দৰশন।

অসম চৰকাৰ



যা দেৱী সৰ্বভূতেষু
শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ
নমস্তস্যৈ নমো নমঃ॥



JANASANYOG- 1984/24/13-Oct-24

শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গামাৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ।

প্ৰতিগৰাকী লোকেই দেৱীমাৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# যোৰহাটৰ দুৰ্গা পূজা

অঞ্জু শাণ্ডিল্য

আহোম ৰাজত্ব কালত অসমত দুৰ্গা পূজা সাৰ্বজনীন ভাৱে প্ৰচলিত হয় যদিও আহোমসকলৰ আগমণৰ আগৰ পৰাই অসমত দুৰ্গা পূজা হৈছিল। অষ্টম শতিকাৰ পৰা অসমত দুৰ্গা পূজাৰ প্ৰচলনৰ ইতিহাস আছে। ৰজা হৰ্ষবৰ্দ্ধন, পালবংশৰ ৰজা, কোন, দেউৰী, বড়ো, ভূঞা, কছাৰীসকলেও দুৰ্গা দেৱীৰ আৰাধনা কৰিছিল । আহোম ৰাজত্ব কালত দুৰ্গা পূজাই বিশেষ সমাদৰ লাভ কৰে। শিৱসাগৰৰ ঘনশ্যাম মন্দিৰৰ মৃন্ময় মূৰ্ত্তিৰ ফলকে এই কথা প্ৰমাণিত কৰে। আহোম বুৰঞ্জীত স্বৰ্গদেউ চুচেনফাৰ আগৰ পৰাই অসমত দুৰ্গা পূজাৰ প্ৰচলনৰ ইতিহাস আছে। এই তথ্য মতে মুকলি গোহাঁই, সুন্দৰ গোহাঁই আদি আহোম ৰাজকোঁৱৰে দুৰ্গা পূজা পাতিছিল। জয়ধ্বজ সিংহৰ দিনত শাক্তধৰ্ম ৰাজধৰ্মৰূপে স্বীকৃতি পায়। ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাণী ফুলেশ্বৰী কুৱৰী, চুগামফা কোঁৱৰ আদিয়েও ধুমধামেৰে দুৰ্গা পূজা



পাতিছিল।পাছত লাহে লাহে অসমৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত দুৰ্গা পূজা জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে।অসমত আহোম ৰাজত্বৰ সময়ত দুৰ্গা পূজাৰ প্ৰচলনৰ ইতিহাস আছে যদিও শক্তিপীঠ মা কামাখ্যা মন্দিৰৰ দুৰ্গা পূজা অতি প্ৰাচীন। অন্যত্ৰ বিৰলা দেৱী কামৰূপ গৃহে গৃহে বুলি শ্ৰুত্ত আছে। অসম বুৰঞ্জী মতে এই ভাগ মন্দিৰ ১৪৮৭শকত সম্পূৰ্ণ হয় আৰু ১৫শতিকাৰ পৰা পূজা আৰম্ভ হয়। স্বৰ্গদেউ প্ৰতাপ সিংহই সোণৰ প্ৰতিমা সজাই গড়গাঁওত দুৰ্গা পূজা পতাৰ পাছত পুৰন্দৰ সিংহৰ দিনত এই পূজা ভাগ ৰাজহুৱা হৈ পৰে। স্বৰ্গদেউ চুকাফাৰ দিনতো তাই আহোম সকলে শদিয়াৰ কেঁচাইখাতী গোসানীক সুবচীৰূপে পূজা কৰিছিল । ১৬১৬চনত ৰুদ্ৰসিংহৰ দিনত বঙ্গ দেশৰ কৃষ্ণৰাম ভট্টাচাৰ্যই ৰাজ পুৰোহিত হৈ পৰে। স্বৰ্গদেউ শিৱসিংহ শাক্ত ধৰ্মত দীক্ষিত হৈ কামাখ্যা, অশ্বক্ৰান্ত, উগ্ৰতাৰা দেৱালয়ত পূজা গৃহ নিৰ্মাণ কৰে। অম্বিকা কুৱৰীয়ে ১৭৩৪ চনত দেৱী দ'ল নিৰ্মাণ কৰাৰ পিছত আজিলৈকে ইয়াত দুৰ্গা পূজা চলি আহিছে। প্ৰায়ভাগ মানুহে এই পূজাত অংশগ্ৰহণ কৰিছিল। মোৱামৰীয়া আক্ৰমণৰ বাবে ১৮ শতিকাৰ শেষলৈ এই ভাগ পূজা গুৱাহাটীৰ উজান বজাৰলৈ স্থানান্তৰ কৰা হয় । ৰঙপুৰৰ পৰা আহোমৰ ৰাজধানী যোৰহাটলৈ স্থানান্তৰ কৰোতে বুঢ়ী গোসানীক আনি গড় আলিৰ দুৰ্গাক বুঢ়ীগোসানী দেৱালয় প্ৰতিষ্ঠা কৰা হয় । যোৰহাটৰ মহামায়া দেৱালয়ত মুছলমানেও ভোগ-শৰাই দিয়ে। "যোৰহাট নগৰৰ কেইবা খনো সাৰ্বজনীন দুৰ্গা পূজা উদযাপন সমিতিত মুছলমান মানুহ আছে। তেওঁলোকে পূজা ভাগ উলহ-মালহেৰে উদযাপন কৰাত অৰিহণা যোগাইছে।" (ছাজিদুল হক বৰবৰা)১৭৯৪চনৰ ২৬মে'ত যোৰহাট নগৰৰ মাজত আহোমৰ ৰাজধানী স্থাপন হৈ ছিল। যোৰহাটৰ য'ত বুঢ়ী গোসানীৰ দেৱালয় আছে সেই ঠাইতে ১৮০১চনত দেৱালয়ৰ প্ৰসাদ আদি ধুবৰ বাবে এটা পুখুৰী খান্দি উলিয়াইছিল । পুখুৰীৰ নাম আজিও মিঠা পুখুৰী নামে প্ৰখ্যাত। লাহে লাহে যোৰহাট নগৰৰ আশে- পাশে কিছুমান পৰিয়ালত দুৰ্গা পূজাৰ প্ৰচলন ঘটিল। ১৯১২চনত পোন প্ৰথম যোৰহাট লক্ষী ইউনিয়নত সাৰ্বজনীন দুৰ্গা পূজা ভাগ হয়। ইয়াৰ পাছত জেপিআৰ মাৰোৱাৰী পট্টি, তৰাজান, কটকী পুখুৰী আদি অনেক ঠাইত দুৰ্গা পূজা হ'বলৈ ধৰিলে। যোৰহাটৰ দুৰ্গা পূজাত সকলো শ্ৰেণীৰ মানুহে অংশগ্ৰহণ কৰে। মহালয়াৰ দিনাৰ পৰাই যোৰহাটত পূজাৰ পৰিৱেশ আৰম্ভ হয়। সেই দিনা কাহিলী পুৱাতে নগৰৰ প্ৰায়ভাগ মানুহ ৰাজ পথলৈ ওলাই আহে। সকলোৱে দুৰ্গা দেৱীৰ আগমণক স্বাগতম জনায়। এনে সুন্দৰ পৰিৱেশ আন ঠাইত বিৰল আৰু বিজয়া দশমীৰ দিনা গড় আলিৰ পদপথত বিভিন্নজনে দেৱী দুৰ্গাক বিদায় জনাবলৈ ৰৈ থাকে।

# আদ্যাশক্তি দেৱী দুৰ্গাৰ

পোহৰৰ প্ৰতীক। অক্ষমালা আৰু কমণ্ডলু পবিত্ৰতাৰ প্ৰতীক। ভগৱান বিষ্ণুই দেৱীক দিছিল সুদৰ্শন চক্ৰ। এই চক্ৰ দেৱীৰ সোঁহাতত থাকে। সুদৰ্শন চক্ৰ ব্ৰহ্মাণ্ডৰ প্ৰতীক। জগতত শান্তি প্ৰতিষ্ঠা তথা অশুভ শক্তিৰ বিনাশৰ বাবে এই চক্ৰৰ সৃষ্টি। দেৱীৰ বাঁওহাতত থকা শংখ জাগৰণৰ প্ৰতীক। এই শংখ দেৱীক প্ৰদান কৰে বৰুণদেৱে। যুদ্ধ জয় কৰা বা লক্ষ্য স্থিৰ তথা লক্ষ্য ভেদৰ অস্ত্ৰ হিচাপে পৱনদেৱে দেৱীক প্ৰদান কৰে ধনুৰ্বাণ। নাগৰাজে প্ৰদান কৰা দেৱীৰ হাতত থকা সৰ্প বা নাগপাশ বিশুদ্ধ চেতনাৰ প্ৰতীক। আসুৰিক প্ৰবৃত্তিৰ বিনাশ আৰু বিশুদ্ধ চেতনাৰ বিকাশৰ ৰূপত দেৱীৰ হাতত নাগপাশে শোভা বৰ্ধন কৰে।

দেৱৰাজ ইন্দ্ৰই দেৱীক প্ৰদান কৰে বজ্ৰ। বজ্ৰ দৃঢ়তা আৰু সংহতিৰ প্ৰতীক। দেৱী দুৰ্গাৰ হাতত প্ৰধান অস্ত্ৰ হিচাপে দেখা যায় ত্ৰিশূল। ত্ৰিশূলৰ তিনিটা জোঙা তীক্ষ্ণ অংশৰ অৰ্থ বেলেগ বেলেগ। শাস্ত্ৰমতে ত্ৰিশূল ত্ৰিগুণৰ প্ৰতীক। সেইবোৰ হ'ল সত্ত্ব, ৰজঃ আৰু তমঃ। ত্ৰিশূলৰ মাজৰ জোঙা অংশটো সত্ত্ব আৰু বাকী দুটা ৰজঃ আৰু তমঃ গুণবিশিষ্ট। ত্ৰিশূল স্পৰ্শ কৰিলে এই তিনি গুণৰ পৰা মুক্তি লাভ কৰিব পাৰি। দেৱাদিদেৱ মহাদেৱে এই ত্ৰিশূল দেৱী দুৰ্গাক প্ৰদান কৰিছিল।

ইয়াৰ উপৰিও সূৰ্য দেৱতাই সোণবৰণীয়া শৰীৰ, বিশ্বকৰ্মাই দুৰ্ভেদ্য কবচ-কুণ্ডল আৰু অক্ষয় বস্ত্ৰ, হিমালয়ে বাহন স্বৰূপে সিংহ আদি প্ৰদানেৰে দুৰ্গাক অপূৰ্ব তথা বলীয়ান কৰি তুলিছিল। পুৰাণৰ মতে, সৃষ্টিৰ সময়ত পৃথিৱী জলমগ্ন আছিল আৰু তেতিয়া বিষ্ণুই সাগৰতলীত এটি শংখ ৰূপে অৱস্থান কৰিছিল। এই শংখৰ দ্বাৰাই দেৱীয়ে মহিষাসুৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

অসমত পুৰণি কালৰে পৰাই দুৰ্গা পূজাৰ প্ৰচলন আছিল। দুৰ্গাৰ আদি ৰূপ আছিল আদিম দেৱী বনদুৰ্গা। সেয়েহে আজিও এই বনদুৰ্গাক মণ্ডপৰ একাষে কাপোৰেৰে মেৰিয়াই কলগছ ৰূপী দেৱীৰূপে পূজা কৰা হয়।

বৰ্তমানৰ শৰৎকালৰ এই দেৱী পূজাৰ প্ৰচলন কৰাৰ মৌলিক ধাৰণাটো সোতৰ শতিকাৰ বংগীয় মূলৰ কবি কৃত্তিবাসৰ ৰামায়ণত প্ৰক্ষিপ্ত কৰা হৈছিল। ইয়াৰ ঠিক পিছতেই বংগৰ কৃষ্ণ চন্দ্ৰ মহাৰাজে প্ৰথম ৰাজহুৱা ভাৱে দুৰ্গা পূজাৰ প্ৰচলন কৰে।

শিৱসিংহৰ ৰাজত্ব কালৰ পৰাই অসমৰ বিভিন্ন ঐতিহাসিক মন্দিৰত দুৰ্গা পূজা অনুষ্ঠিত হৈ আহিছে। কিন্তু উনৈশ শতিকাৰ শেষ ভাগৰ পৰা অসমত দুৰ্গা পূজা পালন কৰাৰ প্ৰবৃত্তি ব্যাপক ভাৱে সলনি হ'বলৈ ল'লে। বঙালী সংস্কৃতিৰ প্ৰভাৱত অসমৰ দুৰ্গা পূজাতো বঙলুৱা সংস্কৃতিৰ উপাদান সমূহে ঠাই ল'লে আৰু ৰজাদিনীয়া পূজাৰ গাঁঠনিৰ সৈতে ৰাজহুৱা পূজাৰ গাঁঠনিৰ সলনি হৈ পৰিল।

যি নহওক, এই শাৰদীয় দুৰ্গাপূজাত দেৱীৰ শ্ৰী চৰণত প্ৰণাম জনাই মনে প্ৰাণে কামনা কৰো সংসাৰৰ পৰা অশুভ শক্তিৰ বিনাশ হওক আৰু সম্প্ৰীতিৰ এনাজৰীৰে সকলোৱে বান্ধ খাওক।

দুৰ্গা শিৱা মহালক্ষ্মী মহাগৌৰী চ চণ্ডিকা
সৰ্বজ্ঞা সৰ্বলোকেশী সৰ্বকৰ্মফলপ্ৰদা
ওঁ হ্ৰীং দুৰ্গায়ৈ নমঃ

# শৰতৰ কুঁৱলী

ছেলিমা বেগম ,নগাঁও



শৰতৰ পুৱাতে নীল আকাশত
ফুৰিছে বগা কুঁৱলী,
সাৱটি আছেই বুকুৰ মাজত
বগা চাদৰ ওলমি ।
বতাহৰ সতে কিয়নো ধেমালি
সৰি পৰে হে তৰুণী,
এটি এটি ছন্দ মুকুতা মানি হৈ
ধৰাৰ বুকুত উৰি ।
গছ, লতা, বন কুঁৱলীৰ মাজে
জীপাল হৈ উঠিছে,
নিশাটোতে ফুলা শেৱালি ফুল যে
কুঁৱলীৰ ভৰ নোৱাৰে ।
দোকমোকালিত মাটিৰ বুকুত
চিকমিকাই তুলিছে,
কুঁৱলীৰ পানী মূৰত লৈ দুবৰি'য়ে
ৰামধেনুৰ ৰং সানিছে।
ঊষাৰ কিৰণ কুঁৱলীৰ ফাঁকে
পুবে গগণ বেদী,
ৰবি শস্যৰ হে উপচি পৰিছে
আগফালে সৰে দেখি।

# শৰৎ, শাৰদীয় দূৰ্গাপূজা আৰু কিছু অনুভৱ



**কবিতা শৰ্মা, দিল্লী**

গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত এই ছয় ঋতুৰ সমাহাৰেৰে বছৰটো। এই ঋতুবোৰৰ সমান্তৰালভাৱেই প্ৰকৃতিয়ে বৰণ সলাই। প্ৰতিটো ঋতুয়ে নিজস্ব স্বকীয়তাৰে পৰিপূৰ্ণ। ঋতুয়ে প্ৰতি ধৰা দিয়া প্ৰকৃতিৰ ভিন্ -ভিন্ ৰূপে মানুহৰ মন প্ৰাণ জুৰাই যায় । এই ঋতুবোৰেই সন্ধান দিয়ে সৃষ্টিৰ ন-ন দুৱাৰৰ। প্ৰকৃতিৰ নিয়ম অনুযায়ীয়ে এইবাৰো নিৰ্দিষ্ট সময়ত ধৰালৈ শৰৎ নামিছে। শৰৎ ...সকলোৰে প্ৰিয় ঋতু শৰৎ ... ঋতু ৰাণী শৰৎ....কবি, গীতিকাৰৰ হিয়াৰ আমঠু শৰৎ ... আৰু যে কত কি ... মহাকবি কালিদাস, কবিগুৰু ৰবীন্দ্ৰনাথৰ পৰা অসমৰ বিখ্যাত কবি-গীতিকাৰ জ্যোতিপ্ৰসাদ আগৰৱালা, যতীন্দ্ৰনাথ দুৱৰা, ৰঘুনাথ চৌধুৰী, ড° ভূপেন হাজৰিকা, হীৰেণ ভট্টাচাৰ্যকে ধৰি হয়তো এনে এজন কবি গীতিকাৰ বা প্ৰৱন্ধকাৰ নোলাব যাৰ কবিতা, গীত বা অন্যান্য লিখনিত শৰতৰ অপৰূপ সৌন্দৰ্য্যৰ বৰ্ণনা পোৱা নাযায়। মায়াবিনী শৰতৰ স্নিগ্ধ কোমল স্পৰ্শত সিক্ত হয় সকলোৰে মন। শংকৰ গুৰুজনাইও শৰতৰ বিতোপন ৰাতিৰ সৌন্দৰ্য উপভোগ কৰি সকলো ঋতুৰ ভিতৰত শৰৎ ঋতুকে শ্ৰেষ্ঠ ঋতু বুলি এনেদৰে বৰ্ণাইছিল-

পৃথিৱীৰ সকলো কদৰ্য্য গুচিল
বৈ গ'ল পথ স্বচ্ছল
যত জল মানে সব স্বচ্ছ ভৈল
শৰতে মুহিল মন

নহবই বা কিয়? গ্ৰীষ্মৰ নিদাৰুণ দহন, বৰ্ষাৰ মুষলধাৰ বৰষুণ জাকৰ অন্তত শীতল বতাহজাকে যেন দেহ-মন শীতল কৰিবলৈকে লৈ আহে শৰতক। শৰৎ এটি কুন্দত কটা ঋতু ! শাৰদী পুৱাতে ওলাওঁ - নোলাওঁ কৈ ডাৱৰৰ আৱৰণ ফালি পূব আকাশত ধৰা দিয়ে কোমল ৰঙা বেলিটোৱে। সেউজীয়া পথাৰৰ টোপ - টোপ নিয়ৰ চুমি শুকুলা মেঘৰ ছাঁত এনেকৈয়ে আৰম্ভ হয় আহিনৰ দিনবোৰ। পাতলীয়া কুৱলীৰ আঁৰত পদুলিয়ে পদুলিয়ে স্নিগ্ধ সুগন্ধি বিলোৱাত ব্যস্ত হৈ পৰে শেৱালি কেইজোপা। হয়তো কাৰোবাৰ নঙলা মুখৰ দুবৰি ডৰাও বকুল ফুলৰ শুভ্ৰ দলিচাৰে শুৱনি হৈ পৰে। নৈৰ পাৰত বতাহত হালি জালি থকা কহুঁৱা কেইজোপাৰ সৈতে যেন প্ৰতিযোগিতাতহে নামিব খোজে শুভ্ৰনীল আকাশৰ শুকুলা ডাঁৱৰবোৰ। গছৰ ডালত পৰি কোমল ৰ'দৰ জিলিকনিত খিলখিলাই হাঁহে কোনোজনী বনৰীয়া চৰাই। সদ্যযৌৱন প্ৰাপ্ত ডেকা- গাভৰুৰ দৰে বাঢ়ি অহা পথাৰৰ ধাননি ডৰাই খেতিয়কৰ বুকুত ৰচে আশা-আকাংক্ষাৰ মুক্ত সপোন। দিনটোৰ শেষত লাহে লাহে পশ্চিমৰ দিশত গতি কৰা বেলিটোৰ সৈতে জাকে জাকে পখী নীৰমুখে উভতে। এচুকত কোনো এঘৰৰ ৰেডিওৰ পৰা হয়তো ভাহি আহে ... "শাৰদী ৰাণী তোমাৰ হেনো নাম ! তুমি মোৰ নিচেই আপোন"...এয়াইতো শৰৎ ... এয়াইতো আহিন।

শৰতক লৈ যেন অনুভৱৰ শেষ নাই। এই ঋতু হ'ল উৎসৱৰ ঋতু। শৰতেই আগমন জনাই দুৰ্গতি নাশিনী দেৱী দুৰ্গাৰ ... আকাশ বতাহ কপাই ধ্বনিত হোৱা-

যা দেৱী সৰ্ব ভূতেষু শক্তি ৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।

মন্ত্ৰ উচ্চাৰণৰ মাজেৰে দেৱী দুৰ্গা ধৰাৰ বুকুলৈ নামি আহে- সমাজৰ অসূয়া-অশান্তি, অপায় -অমঙ্গল, অসুৰ ৰূপী শক্তিক নাশ কৰিবলৈ। হিংসা দ্বেষ কপটতা বিসৰ্জন দি ভক্ত সকলেও দেৱীৰ চৰণত মূৰ দোৱাই শক্তি, বিদ্যা-বুদ্ধি, ঐশ্বৰ্য-বিভূতিৰ কামনা কৰি দেৱী মাৰ আশীষ মাগে।

কিন্তু অতি দুৰ্ভাগ্যজনক ভাবে শৰতৰ এই ছবি বৰ্তমানৰ ছবি নহয়। এই ছবি আমাৰ অতীতৰ। এয়া আমাৰ শৈশৱ, কৈশোৰ, যৌৱনৰ ছবি ... সময় সলনি হ'ল, মানুহ সলনি হ'ল, দিনবোৰো সলনি হ'ল। সময়ৰ সোঁতত উটি-ভাঁহি আজি আমি ক'ত? আজি সেই শেৱালিও নাই, কহুৱাও নাই, শৰতৰ সেই মাদকতাও নাই। নাই শৰতৰ সেই শীত - শীত যেন লগা আমেজ। পূজা আহিব - আহিব বুলি মনত চোন সেই আনন্দও নাই। আছে মাথো অতীতৰ কিছু মধুৰ স্মৃতি। অতীতৰ দিনবোৰ সুৱঁৰি মনটোৱে যেন আজি হাহাকাৰ কৰি উঠে। আহিন মহীয়া এই উৎকট গৰমৰ মাজত মনতে ভাবো বৰ্তমানৰ এই কংক্ৰিটৰ পৃথিৱীখনত ডিজিটেল মাধ্যমৰ যোগেৰে ঘৰতে বহি শৰৎ ঋতুৰ ৰূপ লাৱণ্য উপভোগ কৰাৰ বাহিৰে আমাৰ আৰু আন কিবা উপায় আছে জানো?

মনত পৰে আগতে দুৰ্গা পূজা বুলি কলেই আনন্দত মন নাচি বাগি উঠিছিল। পূজা কেতিয়া আহিব - আহিব বুলি কেলেণ্ডাৰ খনকে চাই থাকিছিলোঁ। পূজাত কি কিনিম মনতে গুণা-গথা কৰি থাকোঁ । যেতিয়াই পূজাৰ উপহাৰ হিচাপে নতুন ফ্ৰক আহি হাতত পৰে আনন্দত যেন আত্মহাৰা হৈ পৰোঁ। কিমানক যে নেদেখুৱাও! মনত পৰে পুতলা পিষ্টল, পেঁপাৰ শব্দবোৰলৈ। মনত পৰে মা-দেউতা, আত্মীয়-স্বজন, ওচৰ চুবুৰীয়া, বন্ধু- বান্ধৱীৰ লগত জাক পাতি পূজা চাবলৈ যাওঁতে মনত লৈ যোৱা হেপাঁহ আৰু উৎকণ্ঠা বোৰৰ কথা। ঘূৰি আহোতে মা দেউতাক কুটুৰি কিনি অনা ডাঙৰ ৰংচঙীয়া বেলুন, গেচ বেলুন, সাপ বেলুনৰ মাজত কেন্দ্ৰীভূত হয় সকলো হেঁপাহ... ফুলাই দিয়া বেলুনটোৰ পৰা ওলোৱা গোন্ধ আমাৰ কাৰণে শেৱালিৰ সুগন্ধিতকৈ কোনো গুণে কম নাছিল। সাধাৰণ বেলুন এটা ফুটিলেও চকুলো সৰা দিনবোৰলৈ মনত পৰে। সেই অনুভৱবোৰ আজিৰ প্ৰজন্মই হয়তো কেতিয়াও অনুভৱ কৰিব নোৱাৰিব। আজিৰ ভোগবিলাসী জীৱনৰ দামী আৰু সহজ লভ্য বস্তুৰ মাজত সাধাৰণ বেলুন একোটাৰ প্ৰতি আমাৰ আকৰ্ষণৰ কথা সিহঁতেনো কেনেকৈ অনুভৱ কৰিব? পূজা বুলিলেই জেলেপী, পূজা বুলিলেই বেলুন, পূজা বুলিলেই নতুন কাপোৰ এই ধাৰণা এতিয়া আৰু নাই। বহুতৰ বাবেই এতিয়া পূজা মানেই বিলাস। পূজা বুলিলেই বিভিন্ন ঠাইলৈ ফুৰিব যোৱাৰ পৰিকল্পনা। পূজা মানেই সপৰিয়ালে বাহিৰত কোনোবা ৰেষ্টুৰেণ্ট বা ৰিজোৰ্তত খানা খোৱা। পূজা উপভোগ কৰাৰ প্ৰৱনতা আজি আমাৰ সলনি হৈছে। পূজা এতিয়া কেৱল আধ্যাত্মিক চিন্তা-ধাৰণাৰ উৎসৱ মাত্ৰই হৈ থকা নাই, বৰঞ্চ ই আনন্দ ফূৰ্তিৰ এক মাধ্যম হৈ পৰিছে। বৰ্তমান দুৰ্গাপূজা অতি ব্যয় বহুল ভাবে পতা হয়। উন্নত কাৰিকৰী বিদ্যাৰ সহায়ত মা দুৰ্গাৰ প্ৰতিমা *(দহ পৃষ্ঠাত চাওক)*

# দূৰ্গাপূজাত কৰো আমি বৃক্ষ পূজা



**স্বাগতা বৰুৱা গোস্বামী**

আজি কেইদিনমানৰ আগতে মানুহে মাকক পূজা চাবলৈ কেইটা বজাত যাব, ক'ত ক'ত চাব পঢ়াৰ মাজে মাজে সুধিয়েই থাকে। মাকে বোলে পঢ়াৰ মাজত এইবোৰ কথা নহয় দেই মানু, আগতে পঢ়ি লোৱা তাতে ইমান গৰম কেনেকৈ পূজালৈ যাওঁ চিন্তাহে হৈছে মানুহ পেটে পেটে সূৰ্য দেৱতাৰ ওপৰত বহুত খং উঠিছিল সেইদিনা আৰু মনৰ ভিতৰতে দুৰ্গাদেৱীক গৰম কমাই দিবলৈ প্ৰাৰ্থনা কৰিছিল। দেৱীয়ে তাইৰ প্ৰাৰ্থনা শুনিলে। পিছে এতিয়া আকৌ বৰুণ দেৱতাই লগ নেৰা দেখি তাইৰ আকৌ খং উঠিছে। এইবাৰ বা মাকে কি কয় তাক জনাৰ মানসেৰে অ' মা গৰমতো কমি গ'ল গতিকে আমি পূজাত ফুৰিবলৈ যাব পাৰিম ন মা। তাকেহে কিন্তু বৰষুণ কমিব লাগিব তেতিয়াহে পূজা চাব পাৰিম। মানুৱে তেতিয়া মাকক কৈছে অ' মা এবাৰ সূৰ্য দেৱতাৰ কাৰণে পূজা চাবলৈ নাপাও বুলি ভাবোতেই গৰম আউট বৰষুণ ইন হৈ গ'ল। কি কৰো মই ভাবিবই পৰা নাই। মোৰ যে চিন্তাহে হৈছে। হ'ব দিয়াচোন এতিয়া এইবোৰ চিন্তা বাদ দিয়া কাৰণ পূজা বহুৰত এবাৰ আহে আমি আমাৰ শৰীৰটোৰ প্ৰতি লক্ষ্য ৰাখি আমি পূজা চাবলৈ যাম। অ' মা তুমি কিন্তু বেয়া নাপাবা আজি মোৰ সূৰ্যদেৱতা, বৰুণ দেৱতা সকলোলৈ খং উঠিছে। কিয়? এইয়ে এবাৰ ৰ'দ এবাৰ বৰষুণ সেইবোৰৰ কাৰণে। এইটো কথাত তুমি তেওঁলোকৰ ওপৰত খং উঠাই লাভ নাই এনেবোৰ আমাৰ মানুহৰ কাৰণেহে হৈছে। মানুহৰ কাৰণে...কিয়? মানুহে বনাঞ্চল বোৰ কাটি কাটি ধ্বংস কৰিছে ফলত প্ৰকৃতিয়ে ভাৰসাম্য হেৰুৱাই পেলাইছে। সেইকাৰণেই আমি বিনাকাৰণত গছ-গছনি কাটিব নাপায়। আনকি আমাক পূজাটো বহুত গছ লাগে জানা। দুৰ্গাপূজাটো লাগে নেকি মা। কিয় নালাগিব লাগে টো। কি কি লাগে জানা- প্ৰথমে দেৱীক পূজাৰীয়ে আমন্ত্ৰণ কৰে তাক বোধন বুলি কয় আৰু সেই বোধনৰ কাৰণে লাগে বেল গছ। 'বোধন' শব্দৰ অৰ্থ হৈছে জাগ্ৰত কৰা বা জগোৱা। ষষ্ঠীৰ দিনা বেলগছত পূজা কৰি দেৱীক জগাই তোলা হয়। কাৰণ বেলগছ হৈছে শক্তিৰ প্ৰতীক, বেলপাতৰ আকৃতি ত্ৰিশূলসদৃশ। দেৱীৰ শক্তি বেলত সংস্থাপন কৰা হয় বাবে ইয়াক বেলবোধন বোলে আৰু সেই বোধনৰ কাৰণে লাগে বেল গছ। আকৌ কইনাৰ নিচিনাকৈ যে ৰখা হয় সেইগৰাকীক নৱপত্ৰিকা বুলি কয়। নৱপত্ৰিকাত ন বিধ শস্য যেনে- কলগছ, মানকচুঁ, হালধি, ধানগছ, জয়ন্তী ফুলৰ গছ, ডালিম, অশোক, বগা অপৰাজিতা আৰু বেল থাকে। এই ন বিধ দ্ৰব্য হালধীয়া সুতাৰে কলপুলিত বান্ধি তাত অপৰাজিতা ফুলৰ লতাৰে মেৰিয়াই দি তাৰ ওপৰত ৰঙা পাৰিৰ শাৰীৰে ন- কইনাৰ দৰে দীঘল ওৰণিৰে ঢাকি ৰখা হয়। পূজাত পঞ্চপল্লৱো ব্যৱহাৰ কৰা হয়। এই পঞ্চপল্লৱ মানে হৈছে- আম, আঁহত, বৰ (বট), জৰি আৰু যজ্ঞ ডিমৰুৰে সৈতে পাঁচবিধ গছৰ সমষ্টি। আকৌ আমি যে গোসাঁই ঘৰৰ ঘটত আম পাত দিও তেনেকৈ দুৰ্গাপূজাটো আমপাত দিয়ে। তাৰোপৰি পানীত ধান, শিলিখা আৰু কঁঠাল গছৰ পাতো দিয়া হয়। গতিকে দেখিলা পূজাভাগতো কিমান গছ লাগে। গছ আমাৰ বহুত লাগতিয়াল। আমাৰ পৰিবেশ, প্ৰকৃতি, উৎসৱ পাৰ্বন সকলোতে গছ-গছনিৰ দৰকাৰ। এইটো সদায় মনত ৰাখিবা 'গছ থাকিলেহে মানুহ থাকিব।'এতিয়া ভালকৈ পৰীক্ষাকেইটা দি লোৱা। আঠ তাৰিখে পৰীক্ষা শেষ কৰিবা ৰাতিলৈ বজাৰলৈ যাম আৰু ৯তাৰিখৰ পৰা পূজা চাম হ'বনে মানু হ'ব মা। তেনেহ'লে এতিয়া পঢ়াগৈ যোৱা।

# যুগে যুগে দেৱী মূৰ্তি উপাসনাঃ মমত্ব আৰু দায়িত্ব



জ্যোতি খাটনিয়াৰ

উপনিষদত সোধা হৈছে যে কাৰ ইচ্ছাত প্ৰেৰিত হৈ মন বিভিন্ন বিষয়ৰ ওপৰত পৰেগৈ? ভাৰতীয় চিন্তাৰ এয়া অতি গুৰুত্বপূৰ্ণ কথা। প্ৰথমতে, ইয়াত মনক এক সুকীয়া বস্তু বুলি ধৰা হৈছে। আমি যেনেকৈ বল এটা ঠেলি দিও, পানীৰ বালটিং এটা ডাঙি দিও, তেনেকৈ মনক ইফাল সিফাল কৰিব পৰা বস্তু বা দ্ৰব্য (substance/ object) বুলি ধৰা হৈছে। ভাৰতীয় চিন্তাত আকৌ ‘বিষয়’ৰ ধাৰণা বৰ বিশাল । আমাক ঘৰ এটা লাগে, দামী গাড়ী লাগে, খাবলৈ ভাত লাগে, চাউল লাগে, পিন্ধিবলৈ দামী কাপোৰ লাগে, কাৰোবাক ক্ষমতা লাগে, কোনোবাই দুৰ্নীতি কৰি ভাল পায়, কোনোবাই সৎ ভাৱে থাকি ভাল পায় - এই সকলোবোৰ হ'ল একো একোটা ‘বিষয়’। তেনেদৰে, ঈশ্বৰৰ কথা চিন্তা কৰা, পৰম ব্ৰহ্মৰ সন্ধান কৰা - এই সকলোবোৰ ‘বিষয়’। মন আৰু বিষয়ৰ সম্পৰ্ক (relation), সংযোগ (association), পাৰ্থক্য (differences), বিসংযোগ (disassociation) - এই সকলোবোৰ কাৰ দ্বাৰা আহি পৰে, এই সম্পৰ্কত ভাৰতীয় চিন্তাই নানান কথা কৈ গৈছে। শেষ পৰ্যায়ত ব্ৰহ্মৰ প্ৰভাৱতে এয়া সংঘটিত হয় বুলি কোৱা হৈছে। ব্ৰহ্মক দুই ধৰণেৰে সচৰাচৰ ভবা হয়। এটা ব্ৰহ্মৰ সাকাৰ ৰূপ। আনটো ব্ৰহ্মৰ নিৰাকাৰ ৰূপ। সাকাৰ ৰূপত নানান ধৰণৰ গুণাগুণ থাকে। সেইবাবে ই সগুণ। নিৰাকাৰ ৰূপৰ ব্ৰহ্মই অসীম ৰূপলৈ গতি কৰে; আৰু ই গুণাগুণৰ বাহিৰলৈ গুচি যায়। সেইবাবে ই নিৰ্গুণ। মূৰ্তি পূজা সগুণ আৰু সীমিত ৰূপৰ পৰমময় ব্ৰহ্মৰ উপাসনা। এই উপাসনা অতি সীমাবদ্ধ। গভীৰ ভক্তিৰ ৰসেৰে ব্যঞ্জিত হ'লেও এই উপাসনাই, বিশেষকৈ মূৰ্তি উপাসনাই, ক্ষমতা আৰু প্ৰতিষ্ঠা দুয়োটাক বিচাৰে। মধ্য যুগৰ বৈষ্ণৱ সন্তসকলে মূৰ্তি উপাসনাৰ বিৰোধিতা কৰাৰ এইটো এটা কাৰণ। উপনিষদত মূৰ্তি উপাসনাৰ বিশেষ কথা পোৱা নাযায়। উপাসনা আৰু উপাস্য শক্তিৰ সম্পৰ্কৰ বিষয়ে কেনোপনিষদৰ ব্যাখ্যাত পণ্ডিত ড° তীৰ্থনাথ শৰ্মাই সূৰ্য্যকান্ত মণিৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। এই সূৰ্য্যকান্ত মণি এনেয়ে ধেলা। সূৰ্য্যৰ পোহৰত ই ৰশ্মি বিকিৰণ কৰিব পাৰে। অথচ দেখাত মণিটোৰেহে ৰশ্মি বিকিৰণ কৰি থকা যেন লাগে। নজনা মানুহেও তাকেই ভাবে। ইয়াৰ ফলত দুটা কথা হয়। প্ৰথমতে বহুতো লোকে সূৰ্য্যকান্ত মণিৰ বিকিৰণ দেখিয়ে সন্তুষ্ট হয়। দ্বিতীয়তে, আন এচাম লোক এই বিকিৰণৰ উৎস বিচাৰি যায়। আকৌ সূৰ্য্যকান্ত মণি থকাৰ বাবেহে বিকিৰণৰ উৎস বিচাৰি যোৱাৰ এক প্ৰৱণতা মনৰ সৃষ্টি হয়। মূৰ্তি উপাসনাৰ গুৰি কথা এয়াই। সেইবাবে মূৰ্তি উপাসনাৰ যোগেদি মানুহৰ ইন্দ্ৰিয়সমূহক সংযত কৰি কল্যাণ আৰু ভক্তিৰ কথা ভবা যায়। ভক্তিৰ স্বৰূপ হৃদয়াঙ্গম কৰা অতি কঠিন। মাধৱদেৱে নামঘোষাত কৈছে : “ মুক্তিত নিস্পৃহ যিটো/ সেহি ভকতক নমো/ৰসময়ী মাগোহো ভকতি/ সমস্ত মস্তক মণি/ নিজ ভকতৰ বশ্য/ভজো হেন দেৱ যদুপতি।।” বৈষ্ণৱ বিদ্বান, ভক্তি ৰসজ্ঞ বাপচন্দ্ৰ মহন্তই তেওঁৰ নামঘোষা - তত্ত্বদৰ্শন (১৯৯৭) গ্ৰন্থত স্পষ্ট কৰি দিছে যে ভক্তিৰ লক্ষ্য মুক্তি নহয়, মুক্তিৰ পাছতো ভক্তিৰ প্ৰয়োজন হে। সেইবাবে সাধাৰণজনৰ কাৰণে বৈকুণ্ঠৰ কল্পনা কৰি দেহত্যাগৰ পাছত তাত ভক্তসকলক ৰখা হ'ল। কিন্তু তাতো যদি তেওঁলোকৰ কিবা প্ৰকাৰে স্খলন ঘটে, তেওঁলোক পুনৰ অসুবিধাত পৰিব। জন্ম- মৃত্যুৰ জটিল আৰু দুখ - কষ্টৰে আৱৰা চক্ৰলৈ ঘূৰি আহিব। অৰ্থাৎ উপনিষদত কোৱাৰ দৰে তেওঁলোকৰ মনটো সাধাৰণ বিষয়বোৰৰ সৈতে আকৌ সংলগ্ন হৈ পৰিব। মূৰ্তি উপাসনাই ভক্তৰ মনত স্থিৰতা আনিব পাৰে। পৰম ব্ৰহ্মৰ উপলব্ধিৰ দিশত ভক্তক আগুৱাই লৈ যাব পাৰে।

অৱশ্যে অতি প্ৰাচীন পৃথিৱীত দেৱী উপাসনাৰ ধাৰণাটো ব্ৰহ্ম উপাসনাৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কিত কৰিব পৰাৰ ক্ষেত্ৰত প্ৰমাণ পোৱা নাযায়। ইয়াৰ বিপৰীতে ক'ব পাৰি যে, প্ৰধানতঃ পৃথিৱীক শস্য শ্যামলা কৰিব পৰা শক্তি ৰূপেই দেৱী উপাসনাৰ আৰম্ভণি হয়। প্ৰাচীন মিছৰীয় সভ্যতাত দেৱীক এনেদৰেই ভবা হৈছিল। গ্ৰীক সভ্যতাত দেৱীৰ সৈতে নৈতিকতা, উচিত - অনুচিত আদি প্ৰশ্নক গাঁঠি দিয়া হ'ল। গ্ৰীক কবি হোমাৰে দেৱী এথিনাৰ সৈতে ওডিচ্যুচৰ সম্পৰ্কক এক ওখ নৈতিক বিধান আৰু কৰ্তব্য তথা দায়িত্বৰ সৈতে সম্পৰ্কিত কৰি তোলে। ভাৰতীয় সভ্যতাত দেৱী এক পৰম নীতি আৰু জীৱনৰ বিভিন্ন দিশৰ সৈতে সম্পৰ্কিত হৈ থকা এক পৰম অস্তিত্ব। ভাবি আচৰিত লাগে আফগানিস্তানত প্ৰায় ১৫০০ বছৰ আগৰেলৈকে দেৱী উপাসনা চলিছিল। চীনা পৰিব্ৰাজকসকলৰ বৰ্ণনাত এই দেৱী উপাসনাৰ নানান কথা পোৱা যায়। আফগানিস্তানৰ স্বাহী শাসনৰ সময় চোৱাত দুৰ্গা দেৱী অতি জনপ্ৰিয় আছিল। ফা হিয়ান, চং ইউন, হিউৱেন চাং আদি পৰিব্ৰাজকে ৩৩৯ ৰ পৰা ৭৫১ চনত আফগানিস্তান ভ্ৰমণ কৰাৰ সময়ত দেৱী উপাসনাৰ কিছু তথ্য এৰি থৈ গৈছে। শ্বেত হুন আৰু তুৰ্কসকলৰ সংমিশ্ৰণত গঢ়ি উঠা কাবুল স্বাহী সকলে দেৱী উপাসনা কৰাৰ তথ্য আছে। তেওঁলোকে দুৰ্গা দেৱীক উপাসনা কৰিছিল বুলি কোৱা হয়। পাঞ্জাব আৰু আফগানিস্তানত পোৱা মুদ্ৰাসমূহত তেওঁলোকৰ পূজা পাতলৰ বিশ্বাসৰ কিছু ইংগিত আছে। পাৰস্যৰ ইছলাম ধৰ্মাৱলম্বী লোকে প্ৰতিষ্ঠা কৰা গাজনিৰাদ বংশই পাৰ্চিয়া, খোৰাছান আৰু ভাৰতীয় মহাদেশৰ উত্তৰ - পশ্চিম অঞ্চলত ৯৯৭ ৰ পৰা ১১৮৬ চনলৈকে চলোৱা শাসনৰ সময়ত এই সমগ্ৰ অঞ্চলটোত থকা সাম্প্ৰতিক ঐক্য লাহে লাহে বিনষ্ট হ'বলৈ ধৰে। আবু ইছাক ইব্ৰাহিম ইষ্টাখ্ৰীয়ে লিখি যোৱা দশম শতিকাৰ পৰ্যটকৰ টোকাত তাহানিৰ কাবুলৰ পৰিবেশৰ সম্পৰ্কে এনেদৰে লিখা আছে : “ Kabul has a castle celebrated for its strength, accessible only by one road. In it there are Musulmans, and it has a town, in which are infidels from Hind.” কিন্তু কালক্ৰমত সহিষ্ণুতাৰ এই পৰিবেশ নোহোৱা হ'ল। এই অঞ্চল শাসন কৰা হেফথেলিটাছ বা শ্বেত হুনসকল নিজেই আছিল সূৰ্য্যৰ উপাসক। তেওঁলোক ইৰাণীয়ান হুনসকলৰ সৈতে সম্পৰ্কিত। মধ্য প্ৰাচ্যৰ এক বিশাল অঞ্চল তেওঁলোকে নিজৰ অধীন কৰি ৰাখিছিল। কাবুলৰ কাষৰ খেইৰ খানেহ নামৰ অঞ্চলত খনন কাৰ্য্য চলাই বহু প্ৰাচীন হিন্দু দেৱ-দেৱীৰ মূৰ্তি পোৱা গৈছে। সেইবোৰৰ ভিতৰত সূৰ্য্য, লক্ষ্মী আৰু সৰস্বতী প্ৰধান। এই অঞ্চলৰ বিশাল মন্দিৰ এটাৰ সময় পুৰাতত্ত্ববিদসকলে খ্ৰীষ্টিয় সপ্তম শতিকাত বুলি ঠাৱৰ কৰিছে। সেই সময়ত অঞ্চলটোত তুৰ্ক স্বাহীসকলৰ শাসন চলি আছিল। ইয়াত উদ্ধাৰ হোৱা সূৰ্য্যৰ মূৰ্তিটোত এক গতিৰ আভাস আছে। **আগলৈ..**

# শৰৎ, শাৰদীয় দূৰ্গাপূজা

আটক ধুনীয়া কৈ সজাই পৰাই লোৱাৰ লগতে মঞ্চ আৰু বাট-পথ আলোকসজ্জিত কৰি, গাৰে-ভূএঃে, চহৰে -নগৰে অধিক জাক জমকীয়া আৰু উলহ- মালহেৰে পূজা উদ্যাপন কৰা দেখা যায়। নিত্য নতুন থিমেৰে পূজাক অধিক আকৰ্ষণীয় কৰি তোলাৰ ন-ন প্ৰয়াস কৰা হয়। বিজুলী চাকিৰ চিকমিকনিত হেৰাই যায় মাটিৰ চাকিৰ স্নিগ্ধ কোমল পোহৰ। এতিয়া ভক্তিৰ ঠাই লৈছে জাকজমকতা আৰু উচ্ছৃঙ্খলতাই। মানুহৰ এই পৰিৱৰ্তনশীল চিন্তা-চেতনাৰ হয়তো কোনো স্থায়িত্ব নাই, আছে মাথো সাময়িক ভাবে মানুহক আকৰ্ষণ কৰিব পৰা কিছু তৰল চিন্তাৰ প্ৰতিফলন । দুৰ্গাপূজা এক অপশক্তি বিনাশ কৰা প্ৰতীক, কিন্তু কেতিয়াবা সেই অপশক্তিৰ প্ৰতীক মহিষাসুৰক দুৰ্গা দেৱীৰ প্ৰতিমাতকৈও ডাঙৰ কৈ সজা দেখা যায়। এয়া হয়তো মানুহৰ আধুনিক মানসিকতাৰেই প্ৰতিফলন। সেয়েহে অপশক্তিক বিনাশ কৰা দেৱী দুৰ্গাতকৈ গুৰুত্ব দিয়া হয় অপশক্তিৰ প্ৰতীক অসুৰক। পূজাৰ অত্যাধিক বাণিজ্যকৰণে প্ৰাকৃতিক পৰিৱেশৰ মাজেৰে অহা দুৰ্গাপূজাৰ সেই পোন বাট যেন ৰুদ্ধ কৰিছে। আজি পূজাৰ সংখ্যা বাঢ়িছে। কেৱল মাত্ৰ গুৱাহাটী মহানগৰীতে প্ৰতিবছৰে ৪০০ৰো অধিক পূজা অনুষ্ঠিত হৈ আহিছে। পূজাৰ মাজতে যেন হেৰাই গৈছে পূজা।

কিন্তু যিয়েই নহওক আমি আশাবাদী। এতিয়াও ভাবো আগৰ দিনবোৰ হয়তো এদিন আকৌ উভতি আহিব। আজিও হঠাতে কেতিয়াবা শেৱালীৰ সুগন্ধ আহি নাকত লাগিলে ল'ৰালিৰ সেই শেৱালি কেইজোপালৈ মনত পৰে। মনত পৰে পুতলা পিষ্টল পেঁপাৰ শব্দবোৰলৈ। সাধাৰণ বেলুনবোৰ উপহাৰ হিচাপে পাই আনন্দত গদ-গদ হোৱা, মৰমৰ বেলুনটো ফুটিলে চকুলো সৰা দিনবোৰলৈ। সেই দিনবোৰ আকৌ যেন উভতাই আনিম। আকৌ এবাৰ মা-দেউতা, ভাইটি ভণ্টিহঁতৰ লগত পূজাৰ আনন্দত আত্মহাৰা হবলৈ মন যায়। মন যায় প্ৰতিযোগীতাৰে ভৰা কংক্ৰিটৰ এই পৃথিৱীখনৰ পৰা আঁতৰি আহি সুগন্ধি শেৱালি জোপাৰ তলত বহি কোঁচ ভৰাই শেৱালি বুটলিবলৈ...

যেনেকৈয়ে নহওক প্ৰতিবছৰৰ দৰে এইবছৰো পূজা আহিছে। প্ৰতি বছৰে হোৱাৰ দৰে এইবাৰো নিশ্চয় আৰু অধিক সংখ্যাত পূজা অনুষ্ঠিত হব। যদিও দুৰ্গা পূজা হিন্দুসকলৰ এক ধৰ্মীয় সংস্কৃতি কিন্তু বৰ্তমান এই পূজা উপলক্ষে সকলো জাতি ধৰ্মৰ লোকেই অংশ গ্ৰহণ কৰি, দান - বৰঙনি দি সকলো দিশতেই সহায় সহযোগিতা আগ বঢ়াই আহিছে। সমাজ খনৰ বাবে ই এক শুভ সংকেত। দুৰ্গা পূজা আজি কেৱল দেৱী বন্দনাৰে অনুষ্ঠান হৈ থকা নাই। নানা জাতি ধৰ্মৰ মাজত গঢ়ি উঠা সম্প্ৰীতি সম্ভাৱৰ ই এক বিশাল ঢৌত পৰিণত হৈছে । জাতি ধৰ্ম নিৰ্বিশেষে উখল মাখল মানুহৰ ঢৌৰ মাজেৰে শাৰদীয় দুৰ্গা পূজা আজি যেন এক উৎসৱলৈ পৰিৱৰ্তিত হৈছে। মনে-প্ৰাণে আশা কৰিছো দেৱী মাৰ আগমনে সকলোকে শক্তিশালী আৰু প্ৰাণৱন্ত কৰি তোলক। সমাজৰ উন্নতি যোৱা পৃষ্ঠাবোৰ নতুন ধাৰণাৰ প্ৰয়াসেৰে সমৃদ্ধিশালী হৈ উঠক। মানুহ হৈ উঠক বিবেকশীল আৰু তেজস্বী। সকলো মানুহৰে মনবোৰ হৈ পৰক বিশ্বাস আৰু সততাৰে পৰিপূৰ্ণ। অসুখ- অশান্তি, মাৰি - মৰক, প্ৰদুষণ আঁতৰি পৃথিৱীখন হৈ পৰক পুনৰবাৰ নিকা, সুন্দৰ, সৰগ সদৃশ। দেৱী মাৰ আশীৰ্বাদে পৃথিৱীৰ অশান্ত জৰ্জৰ পৰিৱেশৰ অৱসান ঘটাই সকলোকে দি যাওক প্ৰশান্তিৰ শীতল পৰশ ... **সকলোকে জনালোঁ শাৰদীয় দুৰ্গাপূজাৰ ওলগ।**

# Opposition to Animal Sacrifice: A Call for Societal Reform

Nikunja Sharma

**The Duality of Durga Puja**

Durga Puja has long been a vibrant celebration in our city, marked by community gatherings and cultural expressions. My childhood memories are intertwined with visits to puja mandaps, filled with joy and connection with friends and family. Yet, a troubling aspect of this festival has always lingered in my mind: the sacrificial rituals that take place. While I cherish the connections forged during this time, the act of sacrifice deeply disturbs me.

Witnessing the ritualistic slaughter of animals evokes a visceral reaction. The image of a helpless creature being mercilessly killed, accompanied by the rhythmic beats of the dhak, starkly contrasts with the celebration of life. This contradiction—celebrating while taking life—raises profound questions about the essence of devotion and the moral implications of such practices.

**The Ethics of Sacrifice**

Religion is inherently designed to uplift humanity, providing a framework for ethical living. However, the tradition of sacrifice often crosses the line from a necessary act for sustenance to a selfish ritual cloaked in devotion. While some argue that sacrifices are part of cultural heritage, the distinction between killing for food and killing for tradition is crucial. The former aligns with nature's food chain, while the latter reflects a troubling disregard for life in the name of spiritual gain.

The notion that one must kill an innocent animal to appease a deity is fundamentally flawed. It perpetuates a cycle of violence that impacts not only the lives of these creatures but also desensitizes society. The urge to cling to archaic traditions, often justified by scripture, reveals a reluctance to evolve and embrace rational thought. Such beliefs hinder progress and promote a mindset that values blind adherence over critical thinking.

**Tradition vs. Rationality**

As Durga Puja approaches, discussions about sacrifice often ignite a divide within communities. Advocates for cessation face traditionalists who cling to their beliefs, citing heritage as justification. This conflict highlights a broader societal issue: the struggle between rationality and superstition.

Opposition to sacrifice arises from a desire for a more humane and logical approach to worship. Defenders of the practice often do so out of fear—fear of losing cultural identity and fear of change. Such fears stifle critical dialogue and prevent the necessary evolution of thought within society.

**The Need for Reform**

The persistence of animal sacrifice mirrors a cancer festering within society. While it may not lead to immediate destruction, it undermines compassion and respect for all living beings. The time has come to confront this issue head-on, challenging outdated traditions that serve no purpose in a modern, scientifically aware world.

Public figures opposing animal sacrifice, such as musician Zubeen Garg, demonstrate the potential for change. Despite facing backlash from conservative factions, their courage paves the way for a more humane society, showing a growing awareness and desire for reform.

**Sacrifice: The True Essence of Leadership**

Sacrifice is a powerful concept that forms the backbone of true leadership. The essence of leadership lies in the willingness to place the well-being of others above one's interests, requiring an unwavering commitment to the greater good, often at personal cost.

Leaders exemplify this through actions that prioritize collective well-being. They shoulder burdens, work long hours, and often miss personal milestones to fulfill commitments to their communities. True leadership involves making decisions that may not always be popular but are necessary for long-term benefit, demonstrating courage and integrity.

In adversity, leaders embodying the spirit of sacrifice inspire those around them to rise to the occasion. Their resilience and ability to endure hardships encourage others to persevere, fostering unity and shared purpose.

**Conclusions and Reflections**

Sankardev's reformative approach emphasizes the need for systemic change, advocating for spiritual and social equality while challenging entrenched caste systems. His literary contributions reflect a strong spirit of social reform, underscoring the need for harmony beyond religious boundaries.

Despite the advancements made through movements inspired by Sankardev, caste discrimination and outdated practices like animal sacrifice persist in contemporary society. Events in Assam illustrate that social ostracism based on caste dynamics continues, emphasizing the ongoing struggle against prejudices.

Furthermore, the continuation of animal sacrifice raises ethical questions about religious practices. The recent Supreme Court orders to halt sacrifices at the Gadhimai temple reflect a growing consciousness regarding animal rights. However, the customs often persist, challenging the values of compassion and respect for life.

**Final Thoughts**

The philosophy of Sankardev, rooted in its historical context, remains relevant in addressing contemporary societal issues. His vision of an egalitarian society can inform current efforts to combat casteism and promote social justice. Moreover, the ethical implications of animal sacrifice, particularly during festivals like Durga Puja, compel us to reconsider traditions in light of evolving moral perspectives.

Opposition to animal sacrifice is not merely a critique of tradition but a call for progress and humanity. By shedding outdated beliefs, we can cultivate a society that honors life in all its forms. Let us strive to transform our cultural practices into expressions of kindness, ensuring that our actions reflect the values we hold dear. Sacrifice, in its true essence, should enrich our humanity rather than diminish it.

# আজি অসুৰে পূজা পাতিছে , এয়া পূজা নে, দেৱীক তুচ্ছতাছিল্য ?



শৈলেন কুমাৰ,মির্জা

এতিয়া শাৰদীয় দুৰ্গোৎসৱৰ বতৰা, শৰৎৰ ঋতুৰ অনুভৱে সুকীয়া। শেৱালি ফুলৰ সুবাস চৌদিশে, প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ সময়তে দুৰ্গাদেৱীৰ আগমনে মনত প্ৰচুৰ আনন্দ দিয়ে। সঁচাকৈ ভগৱানৰ প্ৰাদুৰ্ভাৱে জগতত শক্তিৰ সঞ্চাৰ কৰে আৰু আমাৰ অন্তৰমনক নিৰ্মলতা প্ৰদান কৰে। সত্যৰ যুগত অসুৰৰ অত্যাচাৰত অতিষ্ঠ হৈ যেতিয়া সাধুগণে ত্ৰাহিমাম কৰিছিল তেতিয়া দেৱীয়ে পৃথিৱীত অৱতাৰণ কৰি অসুৰ নিধন কৰিছিল। কিন্তু আজি মহিষাসুৰে দেৱীৰ পূজা পাতিছে। আজিৰ মহিষাসুৰক কোনে নিধন কৰিব ? অসুৰে আজি সাধুৰ ভেশ ধৰি চলাইছে আসুৰিক তাণ্ডৱ। এই যুগত অসুৰে মানুহৰ বিবেক শূন্য কৰি মানৱতা নহোৱা কৰিছে। কিন্তু সেই মহিষাসুৰক আমি আজি চিহ্নিত কৰি নিধন কৰাত ব্যৰ্থ। এয়া পূজা নে? দেৱীক তুচ্ছতাছিল্য? দেৱীৰ আৰাধনা কোনে ক'ৰে, যাৰ মনত ভক্তি আৰু সততা আছে। মনত ভক্তি আৰু সততা নথকা জন এজন মানৱৰূপী মহিষাসুৰ। হয় সঁচাকৈ মহিষাসুৰমৰ্দিনীয়ে অসুৰ নিধন কৰিব লাগে । দেশ, সমাজ এই পৃথিৱীক কুলষিত কৰা মহিষাসুৰবোৰ নিধন হব লাগে। হয় আমিয়েই দুৰ্গা আৰু আমিয়েই মহিষাসুৰ। যদি মনত সততা আৰু ভক্তি তেন্তে দেৱী দুৰ্গা আৰু যদি অন্ধভক্তি, অসত্য সেয়া হ'ব মহিষাসুৰ। আমি দুৰ্গাদেৱীৰ আহ্বান কৰি নিজৰ ভিতৰত সমাহিত মহিষাসুৰক নিধন কৰিব লাগিব তেতিয়া হে এই দুৰ্গাপূজাৰ মহত্ত্ব থাকিব। অন্যথা দেৱীপূজাৰ অৰ্থ অনৰ্থক হ'ব। আমি দেৱীক পূজা কৰোঁ আৰু নাৰীক ধৰ্ষণ, অত্যাচাৰ, অৱহেলা কৰোঁ। এই অসুৰটো স্বাৰ্থলোভী অসুৰ, নিজকে সৰ্বজ্ঞানী, সৰ্বেসৰ্বা বুলি মিছা অভিমানত বলিয়া। প্ৰত্যেক বৰ্ষতে অসুৰৰ দৰ্প অহংকাৰ খৰ্ব কৰিবলৈ দেৱীৰ আৱিৰ্ভাৱ হয়। কিন্তু এই অসুৰটোৰ শক্তি দিনকদিনে বাঢ়িহে গৈ আছে । কাৰণ অসুৰক সাৰপানী জগাবলৈ মহিষাসুৰে আৰম্ভ কৰিছে নিচাহ মনোৰঞ্জনৰ অবাধ বেহা । আৰু সকলোৱে এই নিচাহৰ বোৱতী নৈত অচেতন ভাৱে বৈ গৈ আছে। কিন্তু দেৱীৰ শক্তি সীমিত হৈ শুকাই ক্ষীন হৈ পৰিছে । সিংহৰ সেই তৰ্জনগৰ্জন শব্দ মহিষাসুৰৰ ভৰি চেলেকি থকাত ব্যস্ত । পূজা এতিয়া আনন্দ, আমোদপ্ৰমোদৰ মনোৰঞ্জনৰ বেহা য'ত অগণন মহিষাসুৰে ভিৰ কৰিছে, হাঁহি হাঁহি মতলীয়া হৈ আনন্দত আত্মহাৰা হৈছে। আজি মহিষাসুৰে পূজা পাতিছে। অজ্ঞান ৰূপী মহিষাসুৰৰ প্ৰাচীৰ ভাঙি দেৱীৰূপৰ দ্বীপ প্ৰজ্বলিত কৰিব লাগিব অন্যথা মহিষাসুৰৰ আতংকত দিশহাৰা হ'ব আজিৰ জনগন ।

# শৰৎ ঋতুৰ সুকীয়া সৌন্দৰ্য

**ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়**

নৈৰ কাষে কাষে কহুঁৱাৰ হালি-জালি নাচোন, বকুল- শেৱালিৰ সুগন্ধি পাহিবোৰ বতাহত সিঁচৰতি হৈ চৌদিশ আমোলমোল পৰিৱেশ। শৰৎ বুলি ক'লেই দুৰ্গা পূজা, লক্ষ্মী পূজা, কাতি বিহু আদি উৎসৱবোৰে সম্পূৰ্ণ পৰিৱেশটোৱে সলনি কৰি দিয়ে। ছয় ঋতুৰ এক অন্যতম 'শৰৎ ঋতু'। শৰতেই প্ৰকৃতিৰ ৰং-ৰূপ সলনি কৰি উৎসৱবোৰ আদৰি আনে।



গ্ৰীষ্ম ঋতুৰ উৎকট গৰম, প্ৰচণ্ড বৰষুণ, চাৰিওফালৰ বানপানী সামৰি শৰতে ভুমুকি মাৰি প্ৰকৃতিৰ জগতখনলৈ শীত প্ৰবাহ আনে। পুৱা চকুহাল মোহাৰি কুঁৱলীয়ে আৱৰা আগফালৰ সেউজীয়া পথাৰখনৰ সৌন্দৰ্যই দিনটোৰ শুভকামনা জনায়। টোপ- টোপ নিয়ৰৰ কণাবোৰ চোতালৰ দুবৰিত সৰি ৰৈছে। পদূলিমুখৰ শেৱালিজোপাৰ ফুলবোৰে দুবৰিৰ দলিচাতে তলভৰি সৰিছে। খৰাহি ভৰাই শেৱালি ফুল বুটলি তুলসীৰ ভেটি সজোৱা, বকুল ফুলৰ মালা গাঁঠি উমলা সৰুকালৰ সময়বোৰ অতি মনোমোহা। শৰতৰ আকাশ- বতাহৰ সৌন্দৰ্যই সুকীয়া। চলিত বৰ্ষত শৰতৰ প্ৰথমভাগত প্ৰকৃতিয়ে ওলোটা বাটেৰে গতি কৰা যেন অনুভৱ হৈছিল। পুৱাৰে পৰা প্ৰখৰ ৰ'দ, প্ৰচণ্ড গৰম কুঁৱলীৰ চিনচাপেই নাই। শৰতৰ যি ঠাণ্ডা-ঠাণ্ডা ভাৱ একোৱেই নাছিল। শৰৎ নহয় যেন গ্ৰীষ্ম ঋতুহে, তেনে ভাৱ হৈছিল। শৰৎ ঋতুত বৰষুণ কমকৈ হোৱা দেখা পাওঁ। কিন্তু এইবাৰ প্ৰচণ্ড ৰ'দক বিদায় দি বৰষুণৰ লানি নিছিগা হৈছে। বতৰ সলনি হোৱা বাবেই শৰৎ কালত ফুলা ফুলবোৰৰ কম দিনতে মৰহি গৈছে। ফুলবোৰৰ সুগন্ধিবোৰো নোহোৱা হ'ল।

শৰততে সঁজাল ধৰা সেউজীয়া পথাৰখনে গেঁৰ ওলাবলৈ আৰম্ভ কৰে। আগতীয়া ধানবোৰ দাবলৈয়ো হয়। সঁচায়ে বৰ ভাললগা সময়। শৰৎ কালত দিন চুটি, ৰাতি দীঘল হয়। গছ-গছনিৰ পাতবোৰৰ সেউজীয়া ৰঙটো নাইকিয়া হৈ ৰঙচুৱা বৰণৰ হৈ পৰে। চাৰিওফালৰ পৰিৱেশটো বহুত বেছি ভাললগা হৈ পৰে। 'শৰৎ ঋতু'ৰ সুকীয়া সৌন্দৰ্যই প্ৰকৃতিৰ জগতখনক অধিক আকৰ্ষিত কৰি তোলে।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286